www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, NOVEMBER 02, 2024 ■ শনিবাৰ, ১৬ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৯ Guwahati, Assam ।। মূল্যঃ এটকা

## পিছুৱাই টহল আৰম্ভ চীনা সৈন্যৰ

**নতুন দিল্লী, ১ নৱেম্বৰঃ** ভাৰত-চীনৰ মাজত দীৰ্ঘ সময় ধৰি অব্যাহত থকা সীমা উত্তেজনাৰ ২ পৃষ্ঠাত চাওক

### কুলদা কুমাৰ ভট্টাচাৰ্য আৰু নাই


## অসমে হেৰুৱালে আৰু এজন অভিভাৱক



**ই-সংবাদ, ১ নৱেম্বৰঃ** অসমৰ নাট্যৰসিকৰ হৃদয়ে হৃদয়ে একোখনকৈ ঘৰ সজোৱা মানুহজনে নাট্য আন্দোলনক দিছিল নৱৰূপ। মঞ্চত নাট উপভোগ কৰিবলৈ বলীয়া হৈ থকা নাট্যৰসিকৰ বাবে বিদেশত নাট আৰু অভিনয়ৰ শিক্ষা লৈছিল। লণ্ডন আৰু জাৰ্মানীত অনাতাঁৰ শেষাংশ ৭ পৃষ্ঠাত

## নিশাৰ দুৰ্ঘটনাত হেৰাল দীপিত-কনামিকা







**ই-সংবাদ, ১ নৱেম্বৰঃ** দীপাৱলীৰ নিশা আলোকৰ পোহৰত আপোন পাহৰা হৈ ঘৰৰ পৰা ওলাই আহিছিল দুই যুৱতী, এক যুৱক। যুৱকজনৰ পিতৃয়ে প্ৰায় ১৫ দিন পূৰ্বে ক্ৰয় কৰিছিল এখন বাহন। বাহনখনত দুই বান্ধৱীক তুলি শেষাংশ ৫ পৃষ্ঠাত

### কংগ্ৰেছৰ টিকটৰ বাবে কাকো পাণ এটাও খুৱাই পোৱা নাই বুলি দাবী জয়ন্তৰ

# তিনিৰ অংক! গৌৰৱ 'হিৰো' হ'লে 'জিৰো' হ'ব সৰ্বানন্দ-হিমন্ত









ই-সংবাদ, ১ নৱেম্বৰঃ বিজেপিত তীব্ৰ বাদ-বিসম্বাদ অব্যাহত আছে বিহালীত প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাতৰ পিছত এই বিসম্বাদ তীব্ৰতৰ হৈ পৰিছে বিহালী সমষ্টিৰ পূৰ্বৰ বিধায়ক, বৰ্তমানৰ শেষাংশ ২ পৃষ্ঠাত

### নিষেধাজ্ঞাক আওকাণ

## ধোঁৱাময় ৰাজধানী দিল্লী

**নতুন দিল্লী, ১ নৱেম্বৰঃ** ৰাজধানী দিল্লীত ভয়াবহ হৈ পৰা প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দীপাৱলীত আতচবাজী শেষাংশ ৩ পৃষ্ঠাত

## কণমানি সন্তানক বুকুত বান্ধি দিখৌত মৰণজাঁপ মহিলাৰ



**ই-সংবাদ, নাজিৰা, ১ নৱেম্বৰঃ** দীপান্বিতাৰ উৎসৱমুখৰ পৰিৱেশৰ মাজতে আজি শেষাংশ ৬ পৃষ্ঠাত

### সাম্প্ৰদায়িক ঘৃণা বিয়পোৱাৰ অভিযোগ

## হিমন্তৰ বিৰুদ্ধে আদালতলৈ কুশৱাহা

**ই-সংবাদ, ১ নৱেম্বৰঃ** উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কুমাৰী মায়াৱতীৰ দল বহুজন সমাজবাদী পাৰ্টীৰ নেতাই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আদালতত অভিযোগ দাখিল কৰিছে। ঝাৰখণ্ডত সাম্প্ৰদায়িক শেষাংশ ৩ পৃষ্ঠাত





## শিৱসাগৰত জুই, নিহত এজন


**ই-সংবাদ, শিৱসাগৰ, ১ নৱেম্বৰঃ** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ থানামুখৰ তেলীপট্টীত দীপাৱলীৰ নিশা প্ৰায় ১২ মান বজাত সংঘটিত এক শেষাংশ ৫ পৃষ্ঠাত


## পোহৰৰ উৎসৱত অন্ধকাৰ কোঠাত ধনকুবেৰ! বিশাল, স্বপ্ন, দীপাংকৰক জেৰা

**ই-সংবাদ, ১ নৱেম্বৰঃ** ভাগ্য কেতিয়াবা উদয় হয়। কেতিয়াবা কৰ্মৰ ফলত ভাগ্যই ওলোটা খৰ মাৰে। ওলোটা খৰ মানেই, বেয়া









দিন দেখিবলগীয়া হয়। কালিলৈ ধন, সম্পত্তি, মদত মত্ত হৈ থকা প্ৰৱঞ্চক বিশাল ফুকন, দীপাংকৰ বৰ্মন, স্বপ্নীল শেষাংশ ৪ পৃষ্ঠাত

### এৰি গ'ল ৪ বছৰীয়া সন্তান

## একেলগে চিপ ল'লে স্বামী-স্ত্ৰীয়ে

**ই-সংবাদ, তিতাবৰ, ১ নৱেম্বৰঃ** দীপাৱলীৰ আনন্দ-উলাহৰ মাজতে আজি তিতাবৰ মহিমাবাৰীত সংঘটিত শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিৰ অংক! গৌৰৱ 'হিৰো' হ'লে

সাংসদ ৰঞ্জিৎ দত্ত এতিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বাবে প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ বুকুৰ আপোন পল্লৱলোচন দাসক বিহালী সমষ্টিত প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত কৰি সাংসদ দত্তই নিজৰ দলত থকা প্ৰভাৱ পুনৰ স্পষ্ট কৰি তুলিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অতি ঘনিষ্ঠ বুলি পৰিচিত ৰঞ্জিৎ দত্তক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰিত্ব দিয়াৰ টোপ দিছিল। ২০২১ চনৰ মন্ত্ৰীসভা গঠন কৰাৰ সময়ত ৰঞ্জিৎ দত্তৰ নাম তালিকাভুক্ত নোহোৱাত দত্তই মুকলি বিদ্ৰোহ আৰম্ভ কৰিছিল আৰু তেওঁৰ লগত বিশ্বস্ত সংগী আছিল চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা। এই দুজন বিধায়ক সোণোৱালৰ অতি ঘনিষ্ঠ আৰু তেওঁলোক মন্ত্ৰীসভাৰ অন্যতম দাবীদাৰ আছিল। পদ্ম হাজৰিকাক গৰুখুঁটি প্ৰকল্পৰ দায়িত্ব দি কেবিনেট মন্ত্ৰীৰ মৰ্যাদা দি ভালৰি লগালে যদিও ৰঞ্জিৎ দত্তৰ ক্ষোভ প্ৰশমিত কৰাত ব্যৰ্থ হ'ল হিমন্ত বিশ্ব শৰ্মা। অৱশ্যে পদ্ম হাজৰিকাক পূৰ্বৰে পৰা কিছু সমীহ কৰি চলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। হাজৰিকাই এটা সময়ত হিমন্ত বিশ্ব শৰ্মাৰ টাডা আৰু অন্যান্য গোচৰসমূহ পুনৰ মুকলি কৰিব লাগে বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ত এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনখন ন্যায়ালয়ত গ্ৰহণযোগ্য হৈ গুৰুত্ব লাভ কৰাৰ লগে লগে হিমন্ত বিশ্ব শৰ্মা শংকিত হৈ পৰে। পিআইএলখন ন্যায়ালয়ৰ পৰা প্ৰত্যাহাৰ কৰিবৰ বাবে মধ্যস্থতাকাৰীৰ যোগেদি হিমন্ত বিশ্ব শৰ্মাই পদ্ম হাজৰিকাক সৈমান কৰাইছিল। পদ্ম হাজৰিকাই কিহৰ বিনিময়ত পিআইএল প্ৰত্যাহাৰ কৰিছিল সেই সময়ত সেই লৈ চৰ্চা হৈছিল। পৰৱৰ্তী সময়ত যাতে পদ্ম হাজৰিকা পুনৰ অসন্তুষ্ট হৈ নপৰে তাৰবাবে গৰুখুঁটিতে তেওঁক সংস্থাপন দিছিল হিমন্ত বিশ্ব শৰ্মাই। কিন্তু মন্ত্ৰিত্বৰ সোৱাদ এৰিব নোৱৰা ৰঞ্জিৎ দত্তই ভিতৰি ভিতৰি ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সিন্ধি খন্দা আৰম্ভ কৰিছিল আৰু তাৰেই অংশ হিচাপে উলুৰ লগত বগৰী পোৱাৰ দৰে অৱস্থা হয় পল্লৱ লোচন দাসৰ। পল্লৱ লোচন দাসে মন্ত্ৰীত্ব লাভ কৰাৰ আশাত সাংসদৰ প্ৰাৰ্থিত্ব ত্যাগ কৰিছিল যদিও শেষ মুহূৰ্তত বিহালী সমষ্টিটো তেওঁৰ মুখৰ আগৰ পৰা কাঢ়ি লৈ গ'ল ৰঞ্জিৎ দত্তই। ৰঞ্জিৎ দত্তই যিকোনো প্ৰকাৰে পল্লৱ লোচন দাসক হেয় প্ৰতিপন্ন কৰিবলৈ উঠি-পৰি লগাৰ কথা আজি স্পষ্ট কৰিছে এসময়ৰ বিজেপিৰ যুৱ নেতা তথা ৰঞ্জিৎ দত্তৰ ঘনিষ্ঠ ভাতৃ জয়ন্ত বৰাই। বিহালীৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ন্ত বৰাই আজি সংবাদ মাধ্যমৰ আগত সাংসদ ৰঞ্জিৎ দত্তলৈ এক ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰে। বৰাই কয় যে পল্লৱ লোচন দাসে বিহালী সমষ্টিৰ বাবে বিজেপিৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰিলে জয়ন্ত বৰাক তেওঁ বিহালীত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় কৰাব আৰু তাৰবাবে তেওঁ ৩ কোটি টকা ব্যয় কৰিবলৈ সাজু আছে। বৰাই উল্লেখ কৰে যে সাংসদ ৰঞ্জিৎ দত্তৰ ঘৰত এই সন্দৰ্ভত মৌখিক বুজাপৰাৰ চুক্তি হৈছিল আৰু এই চুক্তিত কেবাজনো নেতা থকাৰ কথাৰো ইংগিত দিছে। বৰাই আনকি এইবুলিও কৈছে যে কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্ব ল'বৰ বাবে তেওঁ ৩-৫ কোটি টকা ব্যয় কৰা বুলি উঠা অভিযোগ ভিত্তিহীন। টিকটৰ বিনিময়ত কাকো পাণ এখনো খুউৱা নাই বুলি উল্লেখ কৰি বৰাই কয় যে ৰঞ্জিৎ দত্তই দিয়া প্ৰতিশ্ৰুতি অনুসৰি তেওঁক ৩ কোটি টকা আদায় দিব লাগে। উল্লেখ্য যে বিহালী সমষ্টি এতিয়া ৰঞ্জিৎ দত্ত আৰু পদ্ম হাজৰিকাৰ বাবে এক সন্মানৰ প্ৰশ্ন হৈ পৰিছে। পল্লৱ লোচন দাসক অপমান কৰাৰ বাবেই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিহালীৰ উপ-নিৰ্বাচনত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ নকৰাৰ কথা গোপনভাৱে দলীয় কৰ্মীক জনাই দিছে। শেহতীয়াকৈ, বিজেপি দলৰ ভিতৰত চলা এই বাদ-বিসম্বাদৰ কথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডাক অৱগত কৰিছে। মোদীৰ নিৰ্দেশত হিমন্ত বিশ্ব শৰ্মাই শেষ মুহূৰ্তত প্ৰচাৰ অভিযানত জপিয়াই পৰাৰ সম্ভাৱনাই সৰহ। বিজেপিৰ নেতাসকলৰ মতে মোদীৰ ধমকত এতিয়া বুকুৰ আপোন পল্লৱ লোচন দাসক হিমন্ত বিশ্ব শৰ্মাই বলিৰ পঠা হ'বলৈ এৰি দিবলগীয়া হৈছে। পল্লৱ লোচন দাস বিহালীত এতিয়া হৈ পৰিছে ফুটবল সদৃশ। ৰঞ্জিৎ দত্তই যদি পূৱলৈ মাৰিছে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পশ্চিম কোণত বৈ পল্লৱ লোচনৰ হৈ ৰক্ষণ বিভাগ চম্ভালিছে। মন্ত্ৰিত্ব দিব নোৱাৰিলেও পল্লৱলোচনক মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই এতিয়া গুৱাহাটীৰ বাজপেয়ী ভৱনৰ সৰ্বেসৰ্বা কৰি ৰাখিছে। সোণোৱাল আৰু ৰঞ্জিৎ দত্তক শলঠেকত পেলাবৰ বাবেই ডঃ শৰ্মাই এই পন্থা লৈছে। ইয়াত অনুঘটকৰ দৰে কাম কৰিবলৈ বাধ্য হৈছে ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক, মন্ত্ৰী অশোক সিংঘাল। মন্ত্ৰী অশোক সিংঘালে এতিয়া কাৰ পক্ষ ল'ব সেয়াও বিজেপিত চৰ্চিত বিষয়। কিয়নো, মন্ত্ৰী সিংঘাল আৰু পীযুষ হাজৰিকাৰ মাজত দীৰ্ঘদিনৰ সংঘাত আছে আৰু এই সংঘাতত উচটনি যোগোৱাৰ পুৰোহিত হিচাপে বিধায়ক পদ্ম হাজৰিকাই সক্ৰিয় ভূমিকা পালন কৰি আহিছে। ফলত, বিহালী সমষ্টিত বিজেপি এৰি কংগ্ৰেছলৈ অহা জয়ন্ত বৰা জয়ী হোৱাৰ লগে লগে গৌৰৱ গগৈ 'হিৰো' হ'ব আৰু হিমন্ত বিশ্ব শৰ্মাৰ লগতে সৰ্বানন্দ সোণোৱাল 'জিৰো' হৈ পৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পিছুৱাই টহল আৰম্ভ চীনা সৈন্যৰ

অৱসান ঘটনাই বৃহস্পতিবাৰে দীপাৱলীৰ দিনটোত ভাৰত-চীন সীমান্তত দুয়োখন দেশৰ সেনাৰ মাজত মিঠাইৰ বিনিময়ৰ পিছতে পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ ডেপছাং আৰু ডেমচত টহল আৰম্ভ কৰিছে ভাৰত আৰু চীনৰ সেনাই। এই টহল সন্দৰ্ভত ভাৰত আৰু চীন দুয়োখনেই ইজনে সিজনক বাৰ্তা প্ৰেৰণ কৰে। ইয়াৰ পিছত দুয়োখন দেশৰ সেনাই পুনৰ পূৰ্বৰ দৰে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল দিবলৈ আৰম্ভ কৰে। উল্লেখ্য যে, ২০২০ চনত গালৱান সংঘাতৰ পিছত পূব লাডাখৰ ডেপছাং আৰু ডেমচত টহল বন্ধ কৰি দিয়া হৈছিল। ইয়াৰ পিছত প্ৰায় চাৰে চাৰি বছৰৰ পাছত পুনৰ এই দুই অঞ্চলত টহল দিবলৈ আৰম্ভ কৰিছে দুয়োখন দেশৰ সেনাই। লক্ষণীয় যে, যোৱা সপ্তাহত নতুন দিল্লী আৰু বেইজিঙে চাৰি বছৰীয়া উত্তেজনা দূৰ কৰিবলৈ দুয়োটা অঞ্চলত সামৰিক টহল দিয়াৰ একমতত উপনীত হয়। বুধবাৰে ভাৰত আৰু চীনে লাডাখৰ ডেমচক আৰু ডেপছাং উপত্যকাৰ বিবাদিত অঞ্চলৰ পৰা সৈন্য প্ৰত্যাহাৰ সম্পূৰ্ণ কৰে। ইয়াৰ পিছতে বৃহস্পতিবাৰে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ পাঁচটা স্থানত দুয়োখন দেশৰ সেনাৰ মাজত মিঠাই বিতৰণ কৰা হয়। এই প্ৰসংগত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, "কেৱল প্ৰত্যাহাৰেই নহয়, চৰকাৰে ইয়াতকৈ বহু বেছি আশা কৰিছে। কিন্তু ইয়াৰ বাবে আৰু কেইদিনমান অপেক্ষা কৰিব লাগিব।" দক্ষিণ ব্লকৰ দাবী, ২১ অক্টোবৰত দুয়োখন দেশে পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল দিয়াৰ ক্ষেত্ৰত সহমতত উপনীত হৈছিল। যোৱা ২৫ অক্টোবৰৰ পৰা দুয়োখন দেশে লাডাখৰ পৰা সেনা প্ৰত্যাহাৰৰ কাম আৰম্ভ কৰিছিল। বুধবাৰে ইয়াৰ অন্ত পৰে। ইয়াৰ পাছতে দুয়োখন দেশৰ সেনাই প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত থকা পাঁচটা বৈঠকস্থল ক্ৰমে লাডাখৰ চুচুল-মালদো আৰু দৌলত বেগ অল্ডি, ছিকিমৰ নাথু লা, অৰুণাচলৰ বুম লা আৰু ৰাচা, কিবিথুত মিঠাইৰ বিনিময় কৰি ৰাষ্ট্ৰ দুখনৰ মাজত সৌহাৰ্দ্যতা বৃদ্ধি কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# একেলগে চিপ ল'লে স্বামী-স্ত্ৰীয়ে

হয় এক মৰ্মান্তিক ঘটনা। ৰহস্যজনক কাৰণত এহাল পতি-পত্নীয়ে আত্মহননৰ পথ বাচি লোৱা ঘটনাই জোকাৰি গৈছে সমগ্ৰ মহিমাবাৰী অঞ্চল। মহিমাবাৰীৰ ৰাতুল কলিতা (২৫) আৰু পূজা কলিতা (২৩)ই আজি দিনৰ ১১ মান বজাত নিজ বাসগৃহৰ ভিতৰতে চিপ লৈ আত্মহত্যা কৰে বুলি জানিব পৰা গৈছে। প্ৰথমে পত্নী পূজা কলিতাই শোৱনি কোঠাৰ ভিতৰত চিপ লৈ আত্মহত্যা কৰে। পাছত পতি ৰাতুল কলিতাই পত্নীৰ আত্মহত্যাৰ ঘটনা জানিব পাৰি ঘৰলৈ গৈ নিজেও পত্নীৰ কাষতে এডাল ৰচীৰে আত্মহত্যা কৰে। আত্মহত্যাৰ কাৰণ এই মুহূৰ্তলৈকে জানিব পৰা হোৱা নাই যদিও পাৰিবাৰিক কন্দলৰ বাবেই দুয়োৱে আত্মহত্যা কৰে বুলি স্থানীয় সূত্ৰই সদৰী কৰে। দুয়ো এজনী ৪ বছৰীয়া কণমানি কন্যা সন্তান এৰি গৈছে। মৃতদেহ দুটা তিতাবৰ, মাধপুৰ আৰক্ষী আৰু স্থানীয় ৰাইজৰ সহযোগত মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত স্থানীয় আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ধোঁৱাময় ৰাজধানী দিল্লী

নিষিদ্ধ কৰিছিল দিল্লী চৰকাৰে। কিন্তু ইয়াৰ পিছতো হ্ৰাস পোৱা নাই দিল্লীৰ প্ৰদূষণৰ মাত্ৰা। আতচবাজীত নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো দীপাৱলীৰ সময়ত দিল্লীৰ বিভিন্ন প্ৰান্তত অবাধে ক্ৰয়-বিক্ৰয় চলি আছে ফটকা, ফুলজাৰিৰ। পৰিণামস্বৰূপে এতিয়া অধিক বিষাক্ত হৈ পৰিছে দিল্লীৰ বতাহ। এনে পৰিস্থিতিত ৰাষ্ট্ৰীয় ৰাজধানীখনত নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো কিদৰে ইমান বৃহৎ পৰিমাণে আতচবাজীৰ বিক্ৰী আৰু ফটকা ফুটোৱা হ'ল তাক লৈ উত্থাপন হৈছে প্ৰশ্নৰ। দিল্লীৰ জাহাংগীৰপুৰী অঞ্চলত এই বিষয়ত ভিন্ন মত ব্যক্ত কৰে অঞ্চলবাসীয়ে। একাংশ লোকে আতচবাজীৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা উঠাই লোৱাৰ দাবী জনাই যুক্তি আগবঢ়ায় যে দীপাৱলী আনন্দৰ উৎসৱ আৰু এই উৎসৱ উদযাপনৰ অধিকাৰ প্ৰতিজন দিল্লীবাসীৰে আছে। একে সময়তে প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি একাংশ লোকে এই নিষেধাজ্ঞা সঠিক বুলি মন্তব্য কৰে। অৱশ্যে তেওঁলোকে এয়াও কয় যে এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও ইয়াক সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হোৱা নাই। দিল্লীৰ বাসিন্দা কমলেশে কয় যে ফটকা ফুটোৱাত তেওঁৰ আপত্তিৰ কাৰণ হ'ল ইয়াৰ পৰা সৃষ্টি হোৱা প্ৰদূষণ। দিল্লীত আতচবাজীৰ অবাধ প্ৰজ্বলন আৰু প্ৰদূষণৰ ভয়ংকৰ বৃদ্ধিক লৈ চৰকাৰৰ সমালোচনা কৰে কমলেশে। তেওঁ কয়, "এয়া চৰকাৰৰ ব্যৰ্থতা। যেতিয়া ফটকা নিষিদ্ধ কৰা হৈছে, তেন্তে কেনেকৈ চৌদিশে ফটকা ফুটাব পাৰে? নিশা ৩.৩০ বজালৈকে ফটকাৰ শব্দ শুনা গৈছিল, যাৰ বাবে টোপনি ক্ষতি হৈছে বহুতৰ। হাঁপানীৰ দৰে ৰোগ থকা লোকৰ উশাহ-নিশাহ লোৱাত অসুবিধা হৈছে। ইমান ধোঁৱা ওলাইছিল যে ৰাস্তাৰ পৰা ওলাই অহাটোও কঠিন হৈ পৰিছিল।" মোহন ভাটনগৰে কয়, "আতচবাজীৰ বাবে ইমানেই প্ৰদূষণ হৈছিল যে আমি ঘৰৰ ভিতৰতে সোমাই থাকিবলগীয়া হৈছিল। ফটকাৰ শব্দ ইমানেই বেছি আছিল যে আমি যুদ্ধবিধ্বস্ত ইউক্ৰেইনত থকা যেনহে অনুভৱ হৈছিল। দিল্লীৰ পৰা ফটকা কিনিব নোৱাৰা সকলে হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পৰা কিনি হ'লেও ফুটাইছে।" মোহনে লগতে কয়, "মই নিজে এজন হৃদৰোগী। এনে পৰিস্থিতিত দীপাৱলী উদযাপনৰ নামত মোৰ অৱস্থা কাহিল হৈ পৰিছিল। বাহিৰত ফটকাৰ ইমান শব্দ আছিল যে কোঠাৰ সকলো খিৰিকি, দুৱাৰ বন্ধ কৰিও নিস্তাৰ পোৱা নাছিলো।" কিন্তু সুভাষৰ যুক্তি সম্পূৰ্ণ পৃথক। তেওঁৰ মতে, দীপাৱলীৰ সময়ত ফটকা ফুটোৱাত কোনো আপত্তি থাকিব নালাগে। এয়া আমাৰ উৎসৱ। গতিকে উদযাপন কৰিবই লাগিব। তেওঁ কয়, "ফটকা নুফুটালে কেনেকৈ গম পোৱা যাব আজি যে দীপাৱলী?" একেই যুক্তি ওম প্ৰকাশ ভৰদ্বাজৰো। তেওঁৰ মতেও ফটকাৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা চৰকাৰৰ এক সম্পূৰ্ণ ভুল সিদ্ধান্ত। তেওঁৰ অভিযোগ যে কেৱল হিন্দুৰ উৎসৱৰ সময়তহে এনে নিষেধাজ্ঞা আৰোপ কৰা হয়। তেওঁ কয়, "প্ৰতিবাৰেই হিন্দু সনাতন ধৰ্মৰ উৎসৱ নিষিদ্ধ কৰাটো সঠিক নহয়। বকৰিদৰ সময়ত যেতিয়া নলাই নলাই তেজৰ সোঁত বয় আৰু চাৰিওফালে মাংসৰ টুকুৰা সিঁচৰিত হৈ পৰি থকা দেখা যায়, তেতিয়া কিয় কোনোৱে মাত নামাতে? কিন্তু কেৱল হিন্দু উৎসৱতহে নিষেধাজ্ঞা আৰোপ কৰা হয় কিয়?" আৰ কে পুৰমৰ বজাৰ এলেকাৰ নিৱাসীসকলৰ মতে ফটকাই ভয়ংকৰভাৱে বৃদ্ধি কৰিছে দিল্লীৰ প্ৰদূষণৰ মাত্ৰা। তেওঁলোকে লগতে এই প্ৰশ্নও উত্থাপন কৰে যে যদি ফটকা নিষিদ্ধ কৰা হৈছে, তেন্তে দিল্লীত কেনেকৈ ইয়াৰ বিক্ৰী হয়? দুৰ্নীতিৰ বিষয়টো ইয়াত ক'ৰবাত চৰ্চালৈ আহে। দীপাৱলীৰ সময়ত দিল্লীৰ ফাৰ্মাচীসমূহত শ্বাস-প্ৰশ্বাসৰ দৰৱ আৰু মাস্ক ক্ৰয় কৰিবলৈ অহা লোকৰ সংখ্যা বৃদ্ধি পোৱা বুলিও তেওঁলোকে মন্তব্য কৰে। কিন্তু দীপাৱলী উপলক্ষে কেৱল দিল্লীতে নহয়, প্ৰদূষণৰ মাত্ৰ বৃদ্ধি পাইছে নয়ডাতো। নয়ডাত ৰাতিটোৰ ভিতৰতে আতচবাজীৰ ফলত প্ৰদূষণৰ মাত্ৰা 'গুৰুতৰ' শ্ৰেণীত উপনীত হৈছে আৰু ৰাতিপুৱালৈকে ধোঁৱাৰ ডাঠ তৰপে আৱৰি ৰাখিছে আকাশ। যাৰ ফলত নয়ডাৰ বহু অঞ্চলত বায়ুৰ গুণাগুণ অত্যন্ত বিপজ্জনক মাত্ৰাত উপনীত হৈছে। নয়ডা এক্সটেনচনকে ধৰি বহু ঠাইত বতাহ শ্বাসৰুদ্ধ হৈ পৰিছিল দীপাৱলীৰ সময়ছোৱাত। ৰাতিপুৱা প্ৰায় ৭ বজালৈকে নয়ডাৰ বেছিভাগ অঞ্চলতে এ কিউ আই ৩৫০ৰ ওপৰত থকা পৰিলক্ষিত হয়। নয়ডা এক্সটেনচনত এ কি আইপ স্তৰে ৩২৫ অতিক্ৰম কৰাৰ বিপৰীতে ছেক্টৰ ৬২ত ৩৫৫ অতিক্ৰম কৰে। ডাঠ কুঁৱলীৰ বাবে পথৰ দৃশ্যমানতা ৫০০ মিটাৰলৈ হ্ৰাস পোৱাৰ লগতে বহু লোক উশাহ-নিশাহৰ সমস্যাত ভুগা বুলিও খবৰ পোহৰলৈ আহে। বৰ্ধিত প্ৰদূষণ সন্দৰ্ভত এক পৃথক যুক্তি আগবঢ়ায় নয়ডাৰ বাসিন্দা কবীৰে। তেওঁ কয় যে প্ৰদূষণৰ বাবে কেৱল আতচবাজীয়েই জগৰীয়া নহয়, যান-বাহনৰ অত্যাধিক চলাচলৰ বাবেও প্ৰদূষণ হয়। তেওঁৰ মতে, উৎসৱৰ সময়ত ফটকা ফুটোৱাটো যদি সমস্যা হয়, তেন্তে মানুহে উৎসৱ উপভোগ কৰিব কিদৰে? ছেক্টৰ ১৫ৰ বাসিন্দা সুমিতে কয়, "যোৱাবাৰ দীপাৱলীৰ পিছত এ কিউ আইৰ স্তৰ ৪০০ৰ ওপৰত আছিল, এইবাৰ অলপ কম। উৎসৱৰ বতৰ, গতিকে কম বেছি পৰিমাণে মানুহে ফটকা ফুটাবই। ফটকা ফুটোৱাৰ বাবেই যে একমাত্ৰ প্ৰদূষণ হৈছে তেনে নহয়, যান-বাহন আৰু কৃষকসকলে পথাৰত শস্যৰ অৱশিষ্ট জ্বলাই দিয়াৰ বাবেও প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পাইছে।" একেই মত পোষণ কৰে নয়ডাৰ নিৱাসী ৰমেশেও। তেওঁ কয় যে দীপাৱলীতে যদি মানুহে আতচবাজী নকৰে, তেন্তে কৰিব কেতিয়া? দীপাৱলীত আতচবাজীৰ এটা পৰম্পৰা আছে। প্ৰদূষণ হ'বই, কিন্তু আতচবাজী কৰিবই লাগিব। প্ৰদূষণৰ এই ভয়াৱহ পৰিস্থিতি বায়ু প্ৰবাহ আৰু বতৰৰ অৱস্থাৰ ওপৰতো নিৰ্ভৰ কৰে। এইবাৰ দীপাৱলীত বতাহৰ প্ৰবাহ অতি কম আছিল, যাৰ বাবে প্ৰদূষণৰ মাত্ৰা চিন্তনীয় হৈ পৰিছিল। ইয়াৰ লগতে এতিয়াও দিল্লীত হ্ৰাস পোৱা নাই গৰমৰ মাত্ৰা, যাৰ বাবে বায়ুমণ্ডলত প্ৰদূষক পদাৰ্থবোৰ স্থিৰ হৈ পৰিছে। বৰ্তমান সময়ত দিল্লীৰ সৰ্বনিম্ন তাপমাত্ৰা হৈছে ২১ ডিগ্ৰী চেলছিয়াছ, যিটো স্বাভাৱিকতকৈ ৪.৯ ডিগ্ৰী বেছি। কিন্তু নয়ডাত বৃদ্ধি পোৱা প্ৰদূষণ আৰু বায়ুৰ গুণাগুণ অৱনতি ঘটাৰ মাজতে দীপাৱলীৰ পিছৰ পুৱাটো আছিল ৰাইজৰ বাবে প্ৰত্যাহ্বানমূলক। বিশেষজ্ঞসকলৰ মতে অনাগত কেইদিনমানৰ বাবে বায়ুৰ গুণাগুণ উন্নত হোৱাৰ কোনো সম্ভাৱনা নাই। এনেদৰে প্ৰদূষণে দিল্লীত ধাৰণ কৰিছে ভয়াৱহ ৰূপ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ বিৰুদ্ধে আদালতলৈ কুশৱাহা

মন্তব্য প্ৰদান কৰি সংঘৰ্ষ লগাব খোজাৰ অভিযোগ উত্থাপন কৰি মায়াৱতীৰ দল বহুজন সমাজবাদী পাৰ্টীৰ ঝাৰখণ্ডৰ নেতা তথা প্ৰাক্তন বিধায়ক কুশৱাহা শিৱপুজন মেহতাই ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাই আদালতত আৰ্জি দাখিল কৰিছে। সৰ্বভাৰতীয় কুশৱাহা মহাসভাৰ নেতা, কুশৱাহা শিৱপুজন মেহতা হৈছে হুছেইনাবাদ সমষ্টিৰ প্ৰাক্তন বিধায়ক। ২৯ অক্টোবৰত হুছেইনাবাদ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী কমলেশ কুমাৰ সিঙৰ মনোনয়ন দাখিল কৰাৰ সময়ত ঝাৰখণ্ড বিজেপিৰ সহ-তত্বাৱধায়ক হিমন্ত বিশ্ব শৰ্মা উপস্থিত আছিল। বিজেপি প্ৰাৰ্থী কমলেশ কুমাৰ সিঙৰ মনোনয়ন দাখিলৰ সময়ত হিমন্ত বিশ্ব শৰ্মাই এখন সভা সম্বোধন কৰি হুছেইনাবাদৰ নাম সলনি কৰাৰ ঘোষণা কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈ এই মন্তব্য প্ৰদান কৰাত ঝাৰখণ্ডৰ বিৰোধী দলসমূহে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্তব্যক নিন্দা কৰে। তাৰ পাছতে হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে হুছেইনাবাদ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা সমাজবাদী পাৰ্টীৰ প্ৰাৰ্থী কুশ্বৰাহা শিৱপুজন মেহতাই আদালতত অভিযোগ দাখিল কৰে। কুশ্বৰাহা শিৱপুজন মেহতাই কয় যে হুছেইনাবাদৰ লোকসকলে পাৰস্পৰিকভাৱে মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। হুছেইনাবাদ লোকসকলৰ মাজত সম্প্ৰদায়ক লৈ ঘৃণা বা তিক্ততা নাই। সাম্প্ৰদায়িক বিভেদ সৃষ্টিৰ বাবে হিমন্ত বিশ্ব শৰ্মাই এনে ধৰণৰ মন্তব্য দি মানুহৰ অনুভূতিত আঘাত কৰিছে। হিমন্ত বিশ্ব শৰ্মাক গুৰুতৰ ধাৰাৰ অধীনলৈ আহ্বান জনাই স্থানীয় আদালতত আৰ্জি দিয়ে কুশ্বৰাহা শিৱপুজন মেহতাই। লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কুশ্বৰাহা শিৱপুজন মেহতাই আৰু কয় ৰাজহুৱা মঞ্চত ধৰ্মীয় আৱেগক আঘাত কৰি দুটা ধৰ্মৰ মাজত পাৰস্পৰিক বিদ্বেষ বঢ়াবলৈ কাম কৰিছে। উল্লেখ্য যে, এইবাৰ ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনত কেন্দ্ৰীয় নেতৃত্বই অসমৰ মুখ্যমন্ত্ৰীগৰাকীক অৰ্পণ কৰিছে বিশেষ দায়িত্ব। ইয়াৰ পিছতে ঝাৰখণ্ডৰ নিৰ্বাচনত যিকোনো প্ৰকাৰে বিজেপিক জয়ী কৰাবলৈ উঠি-পৰি লগা দেখা গৈছে হিমন্ত বিশ্ব শৰ্মাক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পোহৰৰ উৎসৱত অন্ধকাৰ কোঠাত

দাসৰ পৰিস্থিতিকে উদাহৰণ হিচাপে লওক। ৰাজ্যত দীপাৱলীৰ পাৰভঙা উছাহ দেখা গৈছে। সকলো পোহৰৰ উৎসৱক লৈ ব্যস্ত। কিন্তু কিছুদিন আগলৈ ধনকুবেৰ, নোটৰ বাণ্ডিল কাৰ্যালয়ত গণনা কৰাৰ ভিডিঅ' বনোৱা আৰু বিলাসী গাড়ীত উঠি ভ্ৰমণ বিলাস কৰা প্ৰৱঞ্চক বিশাল, দীপাংকৰ, স্বপ্নীলে আজি আৰক্ষী থানাৰ লকআপ আৰু কাৰাগাৰৰ কোঠাত সময় পাৰ কৰিছে। কালিলৈ শীত-তাপ নিয়ন্ত্ৰিত কোঠাত সময় কটোৱা, গাড়ী নহ'লে ঘৰৰ পৰা নোলোৱা বিশাল, দীপাংকৰ, স্বপ্নীলে এইহেন দীপাৱলীৰ সময়ত এটা সৰু কোঠাত বন্দী হৈ পৰিছে। হয়তো তেওঁলোকে বাহিৰৰ পৃথিৱীত যে ইমান পোহৰ আৰু তেওঁলোক যে অন্ধকাৰ কোঠাত সোমাই আছে হয়তো সেই কথাৰ অনুভৱেই কৰিব পৰা নাই। কোটি কোটিৰ টকাৰ সৈতে খেলা কৰা বিশাল, দীপাংকৰ, স্বপ্নীলহঁতৰ হঠাতে জীৱনৰ কালচক্ৰ বিপজ্জনক স্থানত উপনীত হ'ব হয়তো ভাবিবই পৰা নাছিল। কিন্তু দম্ভ, অহংকাৰ, বিলাসিতাই বিশাল, দীপাংকৰ, স্বপ্নীলক ধ্বংস্তুপত থিয় কৰালে। আজি যিফালে চাইছে সিফালে অন্ধকাৰ দেখিছে। বাহিৰৰ ৰং-বিৰং দেখিলেই হয়তো দুধাৰি চকুলো বৈ আহিব বিশাল, দীপাংকৰ, স্বপ্নীলহঁতৰ। এয়াই যেন কৰ্মৰ ফল। দীপাৱলীৰ নিশা আৰু পিছদিনা আৰক্ষীৰ সন্মুখত বহি আৰক্ষীয়ে কৰা প্ৰশ্নৰ উত্তৰ দি যাবলগীয়া হৈছে দীপাংকৰে। বৃহস্পতিবাৰে নিশা আৰু শুকুৰবাৰে পুৱাৰ ভাগৰ পৰা দীপাংকৰক নেৰা-নেপেৰা জেৰা কৰি থকা হৈছে। ট্ৰেডিং কেলেংকাৰিৰ কুখ্যাত খলনায়ক দীপাংকৰক জেৰা অব্যাহত ৰাখিছে গুৱাহাটীৰ আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ দলে। কেৱল দীপাংকৰ বৰ্মনকে নহয় দীপাংকৰৰ কোম্পানী ডি.বি ষ্টকৰ গুৱাহাটীৰ কাৰ্যালয়ত কৰ্মচাৰী হিচাপে কাম কৰা মুঠ ৮ কৰ্মচাৰীক আৰক্ষীয়ে আজি জেৰা কৰিছে। গুৱাহাটী আৰক্ষীৰ কেইবাগৰাকী বিষয়াই দীপাংকৰ বৰ্মন আৰু কৰ্মচাৰী কেইজনক মুখামুখি কৈ বহুৱাই লৈ প্ৰশ্ন কৰি যায়। দীপাৱলীৰ আনন্দ-উলাহৰ মাজতে আজি আৰক্ষীয়ে প্ৰায় ৮ ঘণ্টা জেৰা কৰা বুলি জানিব পৰা গৈছে। কাইলৈ পুনৰ পুৱাৰে জেৰা কৰিব বুলি গুৱাহাটী আৰক্ষীৰ এটা সূত্ৰই জানিবলৈ দিয়ে। বৰ্তমান গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰত দিন কটোৱা দীপাংকৰৰ পিতৃ-মাতৃ, প্ৰেয়সী, প্ৰেয়সীৰ ভগ্নী আৰু চিএক মুখামুখিকৈ জেৰা কৰা হ'ব পাৰে বুলিও জানিব পৰা গৈছে। ইপিনে ট্ৰেডিং কেলেংকাৰীৰ আন এজন খলনায়ক বিশাল ফুকনক জেৰা অব্যাহত ৰাখিছে চিবিআইৰ তদন্তকাৰী দলে। বিশালৰ লগতে চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক জেৰা কৰি থকা হৈছে। অভিযুক্ত চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভাতৃ বিশাল ফুকনসহ ৮জন লোকক গুৱাহাটীৰ চিবিআইৰ আদালতৰ পৰা জিম্মাত লৈ তদন্তকাৰী দলে জেৰা কৰি গৈছে। চুমি বৰাই কালিলৈ হয়তো কাৰ্যসূচী অনুসৰি পোছাক, গহনা কি পিন্ধিব তাৰ বাবে ডিজাইনাৰৰ পৰামৰ্শ লৈছিল। সঘনাই বিউটি পাৰ্লাৰলৈ গৈছিল। নিজক সুন্দৰী কৰি ৰাখিবলৈ অহৰহ চিন্তা কৰিছিল। বিদেশ ভ্ৰমণ, খাদ্য, বন্ধুৰ সৈতে সুন্দৰ সময় কটাবলৈ আগ্ৰহী চুমি আজি কাৰাগাৰৰ আলহী। সাধাৰণ হাৱাই চপ্পল, সাধাৰণ চুৰিদাৰ পিন্ধি আৰক্ষীৰ গাড়ীত আহিছে। সাধাৰণ লোকৰ দৰেই খোজকাঢ়ি আদালত, কাৰাগাৰলৈ গৈছে। পাতি লোৱা ভাতৃ বিশাল ফুকনৰ সহযোগী আছিল চুমি বৰা আৰু স্বামী তাৰ্কিক বৰা। বিশালৰ টকাৰে চুমি বৰাই কেইবা কোটি টকা খৰছ কৰি ৰাজস্থানৰ উদয়পুৰত বিয়া পতাৰ লগতে কাপোৰ, গাড়ী, বিদেশ ভ্ৰমণ আদি কৰাৰ নামত কোটি কোটি টকা খৰছ কৰিছিল। সেয়েহে কথাতে কোৱা হয় কাৰ জীৱনত কি আছে কোনে জানে। একেই অৱস্থা স্বপ্নীলৰ। মানুহক ট্ৰেডিং কৰিবলৈ প্ৰশিক্ষণ দিয়া স্বপ্নীলৰ কাৰ্যালয়ত আছিল ১০টাকৈ এচি। গাড়ী আছিল ৫০ লাখ টকীয়া। কিন্তু সকলো এৰি এতিয়া স্বপ্নীল কাৰাগাৰৰ আলহী। নোটৰ বাণ্ডিল গণি থকা ভিডিঅ' ভাইৰেল হোৱা ট্ৰেডিং কেংলেংকাৰীৰ অন্যতম খলনায়ক দীপাংকৰ বৰ্মনক গোৱাৰ পৰা আনি মঙলবাৰে নিশা পাণবজাৰৰ এচিপি অমিত মাহাটো নেতৃত্বাধীন পাঁচজনীয়া দলটোৱে গুৱাহাটী বিমান বন্দৰত উপস্থিত হৈছিল। দীপাংকৰ বৰ্মনক পাণবজাৰ আৰক্ষী থানাত ৰখাৰ খবৰ লাভ কৰি একাংশ লোকে পাণবজাৰ আৰক্ষী থানা চৌহদ ভৰি পৰিছিল বিনিয়োগকাৰীৰে। পাণবজাৰ আৰক্ষী থানা চৌহদ ভৰি পৰা লোকসকল দীপাংকৰৰ কোম্পানীত ধন বিনিয়োগ কৰা লোক বুলি জানিবলৈ দিছিল। বুধবাৰে গুৱাহাটী আৰক্ষীয়ে প্ৰৱঞ্চক বৰ্মনক কামৰূপৰ মুখ্য ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাত পুনৰ জিম্মাত বিচৰাত আদালতে দীপাংকৰক আৰক্ষীৰ জিম্মাত প্ৰদান কৰিছিল। জেৰাৰ সময়ত দীপাংকৰ বৰ্মনে কেইবাটাও ৰহস্য ফেদ কৰিছিল। বিনিয়োগকাৰীৰ পৰা ধন সংগ্ৰহ কৰি কোনো ট্ৰেডিঙত জমা কৰা নাছিল। বিনিয়োগকাৰীৰ ধন দুগুণ কৰি উভতাই দিয়াৰ প্ৰতিশ্ৰুতি দি সেই ধন লাহ-বিলাহ কৰাৰ লগতে বিলাসী গাড়ী, ঘৰ-সম্পত্তি গঢ়িছিল। কোটি কোটি টকা বিলাসৰ নামত উৰুৱাই দিছিল প্ৰৱঞ্চকজনে। মদ, ভ্ৰমণ, বিলাসী গাড়ী, পৰিয়াল, প্ৰেমিকা, প্ৰেমিকাৰ পৰিয়াল আদিৰ নামত সেই ধন উৰুৱাই দিছিল। গোৱাত লুকাই থকা অৱস্থাত ২৭ অক্টোবৰত দীপাংকৰ বৰ্মনক গ্ৰেপ্তাৰ কৰিছিল গোৱা আৰক্ষী আৰু অসম আৰক্ষীয়ে। দুমাহ মাহ ধৰি আত্মগোপন কৰি থকা দীপাংকৰ বৰ্মনক ২৭ লাখ টকা আৰু সোণসহ গ্ৰেপ্তাৰ হৈছিল। বৰ্মনে অসমৰ লগতে কেইবাখনো ৰাজ্যত ডি.বি ষ্টক নামৰ কোম্পানীৰ এজেণ্ট নিয়োগ কৰি ধন সংগ্ৰহ কৰিছিল। ট্ৰেডিঙত ধন বিনিয়োগ কৰি দুগুন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। মহানগৰীৰ উলুবাৰীত ডি.বি ষ্টক ব্ৰকিং কনছালটেন্সী নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি কোটি কোটি টকা লুণ্ঠন কৰি পলাতক হৈ আছিল প্ৰৱঞ্চক দীপাংকৰ বৰ্মন। কেবাখনো বিলাসী বাহন জব্দ কৰি দীপাংকৰক বিচাৰি দুকুৰি দিন অভিযান চলাই আহিছিল। এনেদৰে এতিয়া পোহৰৰ উৎসৱৰ দিনটোতো অন্ধকাৰ কুঠৰীত পাৰ কৰিবলগীয়া হৈছে এইসকল ক্ষন্তেকীয়া ধনকুবেৰে। ক্ষন্তেকৰ ভোজ খাওতা নাই সদৃশ হৈ পৰিছে এইসকলৰ জীৱন।

# হোজাইত ন্যায় বিচাৰি নিৰাপত্তাহীনতাত ভুগিছে ভুক্তভোগী! আৰক্ষী অধীক্ষকৰ ওচৰত অভিযোগ দাখিল

**ই-সংবাদ, মোৱাঝাৰ, ১ নৱেম্বৰঃ** হোজাই আৰক্ষী অধীক্ষকৰ ওচৰত অভিযোগ দাখিল কৰিছে এগৰাকী ভুক্তভোগীয়ে। এতিয়া ন্যায় বিচাৰি নিৰাপত্তাহীনতাত ভুগিছে ভুক্তভোগী। ঘটনা অনুসৰি মোৱাঝাৰ থানাৰ অন্তৰ্গত ২ নং শিৱপুৰ গাঁৱৰ আতিকুৰ ৰহমানে আৰক্ষী অধীক্ষকৰ ওচৰত দিয়া অভিযোগ অনুসৰি একে থানাৰ উত্তৰ বান্দৰমেলা গাঁৱৰ তাজু ইছলামে বিভিন্ন চৰকাৰী কাৰ্যালয়ত দালালি কৰাৰ উপৰি আতিকুৰৰ পৰিয়ালক ভয়-ভাবুকি দি গাঁৱত সন্ত্ৰাস চলাই আছে। কিছুদিন পূৰ্বে সংঘটিত এটা মাৰপিটৰ ঘটনা সংক্ৰান্তত আপোচ কৰাৰ নামত ধন বিচাৰি আতিকুৰহঁতক হেচাঁ প্ৰয়োগ কৰাৰো অভিযোগ তুলিছে। ইপিনে, যোৱা ১৮ ছেপ্টেম্বৰত গোচৰ সংক্ৰান্তত হোজাই শংকৰদেৱনগৰ আদালতৰ চৌহদত উক্ত দুষ্ট প্ৰকৃতিৰ লোকজনে আৰক্ষী প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াৰ সৈতে সুসম্পৰ্ক আছে বুলি কৈ দম্ভালি মাৰি ভুৱা গোচৰত জে'লত ভৰাব বুলি ভাবুকি দিয়ে। এতিয়া ভুক্তভোগীৰ গোচৰ আদালতত বিচাৰাধীন হৈ থকাৰ সময়তে আন এক ব্যক্তিৰ ভাবুকিয়ে নিৰাপত্তাহীনতাত ভুগি হোজাই আৰক্ষী অধীক্ষকৰ ওচৰত অভিযোগ দাখিল কৰিছে আতিকুৰে। এতিয়া আৰক্ষীয়ে যাৱতীয় বিষয়টো কেনেদৰে লয় সেয়া সময়ত লক্ষণীয় হ'ব। উল্লেখ্য যে অভিযুক্ত তাজুৰ বিৰুদ্ধে পূৰ্বেও এনেধৰণৰ একাধিক অভিযোগ উঠিছিল।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিশাৰ দুৰ্ঘটনাত হেৰাল দীপিত-কনামিকা

গুৱাহাটীৰ দীপাৱলীৰ নিশাৰ পোহৰ উপভোগ কৰিবলৈ ওলাই এপাক ঘূৰিবলৈ ওলাই আহিছিল যুৱকজন। কিন্তু ঘৰৰ পৰা ওলাই আহি ঘৰ নাপালে এগৰাকী যুৱতী আৰু এজন যুৱকে। দীপাৱলীৰ নিশাটো দুই যুৱক-যুৱতীৰ বাবে হৈ পৰিল কাল অমানিশা। দীপাৱলীৰ নিশা সংঘটিত এক পথ দুৰ্ঘটনাত গুৱাহাটীত অধ্যয়নৰত মেধাৱী ছাত্ৰী আৰু এজন যুৱকৰ মৃত্যুৱে সমগ্ৰ গুৱাহাটীকে কঁপাই গৈছে। আন এগৰাকী যুৱতীৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে, মহানগৰীৰ খানাপাৰাৰ ফুটব্ৰীজৰ সমীপত এখন ক'লা আৰু এখন বগা স্কৰপিঅ'ৰ মাজত লগা সংঘৰ্ষত দুয়ো নিহত হয়। এখন স্কৰপিঅ'ত দুই যুৱতী আৰু এজন যুৱক আছিল। আনখন স্কৰপিঅ'ত আছিল চালকজন। দুই যুৱতী আৰু এজন যুৱক থকা ক'লা স্কৰপিঅ'খনে বগা স্কৰপিঅ'ত খুন্দা মাৰি ফুটব্ৰীজৰ ছিৰিত উঠি গৈ পুনৰ তললৈ নামি অহাত গাড়ীখনৰ সন্মুখভাগ চুচুৰ্মে হৈ পৰে। ফলত ক'লা স্কৰপিঅ'ৰ ভিতৰত থকা এগৰাকী যুৱতী আৰু যুৱকজন থিতাতে নিহত হয়। আনহাতে আন এগৰাকী যুৱতীক মুমুৰ্ষ অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। নিশা প্ৰায় ৩ বজাত খানাপাৰাত সংঘটিত পথ দুৰ্ঘটনাত নিহত যুৱতীগৰাকী কনামিকা নাৰ্জাৰী আৰু যুৱকজন দীপিত দে' বুলি জানিব পৰা গৈছে। নিহত কনামিকা নাৰ্জাৰীৰ ঘৰত কোকৰাঝাৰৰ গকুলকাটাত আৰু দীপিত দে'ৰ ঘৰ খ্ৰীষ্টানবস্তিৰ শ্ৰীনগৰত বুলি জানিব পৰা গৈছে। আহত যুৱতীগৰাকী নীহাৰিকা বসুমতাৰী বুলি জানিব পৰা গৈছে। নিহত কনামিকা নাৰ্জাৰীয়ে গুৱাহাটীত থাকি কোচিং কৰি আছিল বুলি খবৰ প্ৰকাশ পাইছে। জানিব পৰা মতে, নিশা ৩ বজাত খানাপাৰা পথেৰে আহি আছিল ক'লা স্কৰপিঅ'খন। ছয়মাইল দিশৰ পৰা গৈ আছিল বগা স্কৰপিঅ'খন। বগা স্কৰপিঅ'খনে খানাপাৰৰ ফুটব্ৰীজৰ সমীপেৰে চাইন্স মিউজিয়ামৰ দিশে টাৰ্ণ লোৱাৰ সময়তে তীব্ৰ বেগত অহা ক'লা স্কৰপিঅ'খনে বগা স্কৰপিঅ'খনত খুন্দা মাৰিছিল। ফুটব্ৰীজৰ ৰেলিং ভাঙি প্ৰায় ১০টা ছিৰিৰ ওপৰলৈ উঠি গৈ পুনৰ তললৈ নামি আহে ক'লা স্কৰপিঅ'খন। ফলত দুই যুৱতী আৰু এজন যুৱক থকা স্কৰপিঅ'খন চুচুৰ্মে হয়। ইয়াৰে কনামিকা নাৰ্জাৰী আৰু দীপিত দে' থিতাতে নিহত হয়। বাহনখনত থকা আন এগৰাকী যুৱতী নিহাৰীকা বসুমতাৰীক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। বগা স্কৰপিঅ'খনৰ চালকজনো গুৰুতৰভাৱে আহত হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। সমানে স্কৰপিঅ'ৰ খুন্দাত ক্ষতি হয় ফুটব্ৰীজখনৰ। দুই যুৱতী আৰু যুৱকজন নিচাসক্ত অৱস্থাত থাকিব পাৰে বুলি সন্দেহ কৰা হৈছে। তেওঁলোক কোনো বাৰৰ পৰা ওলাই আহিছিল। কিয়নো তেওঁলোকৰ হাতত বাৰৰ গেটপাছ ষ্টিকাৰ লাগি আছিল। চালকৰ আসনত থকা দীপিতৰ পিতৃয়ে প্ৰায় ১৫ দিন পূৰ্বে স্কৰপিঅ'খন ক্ৰয় কৰিছিল। সেই স্কৰপিঅ'খন লৈ দুই বান্ধৱীৰ সৈতে নিশা মেঘালয়ৰ দিশে ফুৰিবলৈ গৈ নিশা তিনিবজাত উভতি অহাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। অনুমান কৰা মতে, দীপকে প্ৰতি ঘণ্টাত ১২০-১৩০ কিলোমিটাৰ গতিত চলাই আহিছিল স্কৰপিঅ'খন। শোকাৱহ পথ দুৰ্ঘটনাত নিহত মেধাৱী ছাত্ৰী কনামিকা নাৰ্জাৰীৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে কোকৰাঝাৰ জিলাৰ অসম-বংগ সীমান্তৰ গোসাঁইগাঁৱৰ ১ নং গকুলকাটা অঞ্চলত। গকুলকাটাৰ দীঘ নাৰ্জাৰী আৰু উষা নাৰ্জাৰীৰৰ দ্বিতীয় কন্যা আছিল কনামিকা নাৰ্জাৰী। বিজ্ঞানৰ স্নাতকোত্তৰ কনামিকা নাৰ্জাৰী নেট পৰীক্ষাত উত্তীৰ্ণ হৈছিল। গুৱাহাটীত থাকি এখন ব্যক্তিগত স্কুলত কাম কৰাৰ লগতে চাকৰিৰ বাবে বিভিন্ন কোচিং কৰি আছিল। পৰিয়ালে অৱগত হোৱা মতে, দিপাৱলী উপলক্ষে গুৱাহাটীৰ পৰা মেঘালয়ৰ কোনো এটা ঠাইত ফুৰিবলৈ গৈ গুৱাহাটীলৈ উভতি অহাৰ সময়ত পুৱতি নিশা খানাপাৰাত এখন বাহনৰ সৈতে মুখামুখি সংঘৰ্ষ লাগে। দুৰ্ঘটনাত কনামিকা নাৰ্জাৰী আৰু বন্ধু দীপিত দেৰ থিতাত নিহত হয়। পুৱা দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত কনামিকাৰ মাতৃক শিক্ষকতা কৰা বিদ্যালয়ৰ অধ্যক্ষই ফোনযোগে পথ দুৰ্ঘটনাত কনামিকাৰ মৃত্যু হোৱা বুলি অৱগত কৰিছিল। এই খবৰ পোৱাৰ পাছত কনামিকাৰ ঘৰৰ লগতে গকুলকাটাত শোকৰ ছাঁ পৰে। এই বাতৰি লিখা পৰলৈকে কনামিকা নাৰ্জাৰীৰ মৃতদেহ গকুলকাটালৈ নিবলৈ পৰিয়ালৰ লোক গুৱাহাটীত উপস্থিত হৈছে বুলি জনা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত জুই, নিহত এজন

বিধ্বংসী অগ্নিকাণ্ডত অসমত কৰ্মৰত বিহাৰৰ এজন শ্ৰমিক জীৱন্তে অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক সাৱতি লোৱাৰ লগতে আন এজন শ্ৰমিকক অৰ্ধদগ্ধ অৱস্থাত অগ্নিনিৰ্বাপক বাহিনী, ৰাইজ, আৰক্ষীৰ সহযোগত উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ঘটনাই জিলাখনত গভীৰ শোঁকৰ ছা পেলাইছে। তেলীপট্টীৰ প্ৰদীপ দত্ত নামৰ এজন ব্যক্তিৰ মালিকানাধীন ভাড়াঘৰ কেইটাত সংঘটিত এই শোকাৱহ অগ্নিকাণ্ডত থিতাতে মৃত্যু হোৱা শ্ৰমিক জনৰ নাম ৰাম যতন কামতি (৩৮) বুলি জানিব পৰা গৈছে। আনহাতে গুৰুতৰভাৱে আহত আনজন শ্ৰমিকৰ নাম শ্যামা মাহাতো বুলি জানিব পৰা গৈছে। শ্যামা মাহাতোক নিশাই শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ পৰা জৰুৰী সেৱাৰ যোগেদি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। প্ৰাপ্ত বাতৰি মতে থানামুখৰ তেলীপট্টীৰ নিবাসী প্ৰদীপ দত্তৰ মুঠ দহটা ভাড়াঘৰতেই বাস কৰে বিহাৰী সম্প্ৰদায়ৰ খাটি খোৱা শ্ৰমিক পৰিয়ালে। পকী খুঁটাৰ লগত বাহেৰে নিৰ্মিত টিনৰ চালিৰ ঘৰ কেইটাৰ প্ৰথমটোতেই ভাড়াতীয়া হিচাপে আছিল আহত শ্যামা মাহাতো। জানিব পৰা মতে নিশা প্ৰায় ১২ মান বজাত হঠাৎ ভাড়াঘৰৰ লাইনটোৰ পিছফালৰ পৰা দাউ-দাউকৈ জুইৰ লেলিহান শিখাই এল পেটাৰ্নত থকা ঘৰ কেইটা আগুৰি ধৰে। ভাড়াঘৰৰ লাইনটোত জুইৰ সূত্ৰপাত হোৱা দেখি কাষৰীয়া আৱাসীসকলে চিঞৰ-বাখৰ কৰে। লগে লগে প্ৰদীপ দত্তৰ ভাড়াতীয়াসকলে কথমপি প্ৰাণ ৰক্ষা কৰি বাহিৰলৈ ওলাই আহিবলৈ সক্ষম হয় যদিও সন্মুখৰ ঘৰটোত থকা শ্যামা মাহাতো আৰু দ্বিতীয়টো ঘৰত থকা ৰাম যতন কামতি আৱদ্ধ হৈ পৰে। জানিব পৰা মতে দুয়োগৰাকীয়েই ভিতৰৰ পৰা দৰ্জাত তলা মাৰি শোৱাপাটীলৈ গৈছিল। আনহাতে অগ্নিকাণ্ডৰ খবৰ পায়েই কাষতে লাগি থকা সদৰ থানাৰ বিষয়া-কৰ্মচাৰীসকলে নিজেই অগ্নিকাণ্ড নিয়ন্ত্ৰণত নামি পৰাৰ লগতে খবৰৰ ভিত্তিত ততাতৈয়াকৈ অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো বাহন নামি পৰে জুই নিৰ্বাপনত। ঘটনাস্থলীৰ প্ৰৱেশ পথটো ঠেক হোৱাৰ লগতে এল পেটাৰ্ণত থকা ভাড়াঘৰ কেইটালৈ অহা-যোৱাৰ বাবে কোনো পথ নথকাৰ বাবে অগ্নিনিৰ্বাপক বাহিনীৰ দল, সদৰ আৰক্ষী আৰু স্থানীয় ৰাইজে বহু কষ্টৰে জুই নিয়ন্ত্ৰণ কৰি থকাৰ মাজতেই অৰ্ধদগ্ধ অৱস্থাত শ্যামা মাহাতোক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনী, অ'এনজিচিৰ অগ্নিনিৰ্বাপক বাহিনী, সদৰ থানাৰ বিষয়া-কৰ্মচাৰী, থানামুখ, বাবুপট্টীৰ যুৱকসকলে প্ৰায় দুঘন্টাযোৱা প্ৰচেষ্টাৰ অন্তত জুই নিয়ন্ত্ৰণ কৰাৰ পিছতহে দুৰ্ভগীয়া ৰাম যতন কামতিৰ জ্বলি ছাই হৈ যোৱা দেহ দ্বিতীয় কোঠাৰ ধংসাৱশেষৰ মাজৰ পৰা উদ্ধাৰ কৰে। এই অগ্নিকাণ্ডৰ মাজতেই দুটা চিলিণ্ডাৰ বিস্ফোৰণে জুইৰ প্ৰাবল্য বৃদ্ধি কৰে। ঘটনাৰ খবৰ পাই শীৰ্ষ প্ৰশাসনিক বিষয়া-আৰক্ষী বিষয়াৰ দল ঘটনাস্থলীত উপস্থিত হৈ চৰজমিন অনুসন্ধান কৰাৰ লগতে নিহত ৰাম যতন কামতিৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। প্ৰাৰম্ভিক অনুসন্ধানত আতচবাজিৰ পৰাই এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। বিহাৰৰ নিবাসী নিহত ৰাম যতন কামতি পেছাত এগৰাকী বাৰ্ণিজ মিস্ত্ৰী আৰু আহত শ্যামা মাহাতো এগৰাকী ৰান্ধনি বুলি জানিব পৰা গৈছে। এই বিধংসী অগ্নিকাণ্ডত ৰাজু মণ্ডল, ওম কান্তি, মন্টু মাহাতো, টুনটুন মাহাতো, ৰাজা কুমাৰ, চাজন কুমাৰ, লাড়ু কুমাৰ, অৰ্জুন মাহাতো, গণেশ মাহাতো, ত্ৰিবেনী মাহাতো, ৰূদল যাদৱ, মুনচী পাটিৰ, পৱন কুমাৰ, ৰাজেশ মুখীয়াৰ পৰিয়ালৰ সকলো সম্পত্তি জাহ যায়। ৰাইজে দুৰ্ভগীয়া পৰিয়ালক খাদ্য-বস্ত্ৰৰ যোগান ধৰিছে আৰু পুনৰ সংস্থাপনৰ দিহা কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কণমানি সন্তানক বুকুত বান্ধি

দুপৰীয়া প্ৰায় ১২ বজাত নাজিৰাৰ দিখৌ নদীৰ বালিঘাট দলঙৰ ওপৰত সংঘটিত হয় এক করুণ আৰু অভাৱনীয় ঘটনা। এগৰাকী প্ৰায় ৩২ বছৰীয়া মহিলাই দিখৌৰ পকী দলঙৰপৰা নদীৰ মাজলৈ জঁাপ দিয়াৰ ঘটনা প্ৰত্যক্ষ কৰিলে বহুজনে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে মহিলাগৰাকীয়ে পানীলৈ জপিওৱাৰ সময়ত লগত এটি শিশুও আছিল। ঘবৰ পোৱা মাত্ৰকে নাজিৰা আৰক্ষী থানা আৰু শিমলুগুৰি আৰক্ষী থানাৰ তৎপৰতাত তাৎক্ষণিকভাৱে সাজু কৰি তোলা হয় জৰুৰী সেৱা আৰু অগ্নি নিৰ্বাপক বাহিনীক। পাৰিলে এই মাতৃ আৰু সন্তানক জীৱন্তে উদ্ধাৰ কৰিব পৰাকৈ তৎপৰ হৈ অহা জৰুৰী সেৱা বাহিনীয়ে প্ৰথমে বালিঘাট দলঙৰ নামনিত গো-শালাৰ কাষত অৱস্থান লোৱাৰ সময়ত নদীৰ সোঁতত উটি যোৱা অৱস্থাত মহিলা গৰাকীক প্ৰত্যক্ষ কৰে। বাঁহবৰীয়া গাঁও পৰ্যন্ত প্ৰায় ১ কিঃমিঃ নিলগত দিখৌৰ বুকুৰ পৰা জৰুৰী সেৱা তথা অগ্নি নিৰ্বাপক বাহিনীয়ে পানীৰপৰা মহিলাগৰাকীক উদ্ধাৰ কৰে যদিও তেতিয়ালৈ শিশুসহ মহিলাগৰাকী নিষ্প্ৰাণ হৈ পৰিছিল। ঘটনাৰ খবৰ পাই তীব্ৰ চাঞ্চল্য তথা কৌতূহলৰ বশৱৰ্তী হৈ ঘটনাস্থলীত উপস্থিত হোৱা শ শ লোকক শোকাভিভূত কৰি তোলে মৃত মাতৃৰ শৰীৰত কঁকালত চুৰিডাৰেৰে মেৰিয়াই বান্ধি ৰখা প্ৰায় আঢ়ৈ বছৰীয়া দেৰ শিশুটিৰো করুণ মৃত্যুৰ দৃশ্যই। ঘটনা স্থলীত নাজিৰাৰ নৱ-নিযুক্ত সমজিলা আৰক্ষী বিষয়া তুষাৰ দেশাই আৰু নাজিৰা সমজিলা প্ৰশাসনৰ এগৰাকী মহিলা সহকাৰী আয়ুক্তসহ আন এজন সহকাৰী আয়ুক্ত উপস্থিত হয়। মৃত মহিলাগৰাকীক নাজিৰা কলেজ তিনিআলিৰ বাসিন্দা স্বপন বৰগোহাঁইৰ পত্নী পল্লৱী গগৈ (৩২) বুলি চিনাক্ত কৰাৰ লগতে শিশুটি স্বামী-স্ত্ৰীৰ একমাত্ৰ সন্তান বুলি চিনাক্ত কৰে। নাজিৰা আৰক্ষীয়ে ইতিমধ্যে দিখৌৰ বালিঘাট দলঙৰ ওপৰত মৃত মহিলাগৰাকীয়ে এৰি থৈ যোৱা চুইচাইড নোট উদ্ধাৰ কৰিছে। আৰক্ষীয়ে গোপনীয়তাৰ খাটিৰত এই চুইচাইড নোট সাংবাদিকক ৰাজহুৱা কৰা নাই যদিও স্বামী স্বপন বৰগোহাঁইৰ বিৰুদ্ধে আতিশয্যৰ অভিযোগ লিপিৱদ্ধ কৰি যোৱা বুলি অসমৰ্থিত সূত্ৰত প্ৰকাশ। ইফালে চুইচাইড নোটত স্বামীৰ ফোন নম্বৰ উল্লেখ কৰি যোৱাত নাজিৰা আৰক্ষীয়ে অ'এনজিচিত কৰ্তব্যৰত কৰ্মচাৰী স্বপন বৰগোহাঁইক নাজিৰা আদৰ্শ আৰক্ষী থানালৈ দুপৰীয়া ভাগতে তলৰ কৰি লৈ যায়। সম্প্ৰতি বাতৰি লিখাৰ পৰলৈকে স্বামী স্বপন বৰগোহাঁইক নাজিৰা আৰক্ষী থানাত পৰ্য্যবেক্ষণত ৰখা হৈছে। মৃত মহিলাগৰাকী চাৰি বছৰৰ পূৰ্বে স্বপন বৰগোহাঁইৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱাৰ লগতে নাজিৰা কেন্দ্ৰীয় বিদ্যালয় আৰু শিৱসাগৰৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সাময়িকভাৱে শিক্ষকতাৰ সেৱা আগবঢ়াই গৈছিল। ইতিমধ্যে ইউটিউবাৰ হিচাপেও চিনাকি লাভ কৰা পল্লৱী গগৈয়ে জন্মদিন উদযাপনকে ধৰি পাৰিবাৰিক বিভিন্ন সম্পৰ্ক শৃংখলিতভাৱেই চলাই যোৱাৰ ভিডিঅ' আদি নিজে আপলোড কৰি যোৱাৰ সমান্তৰালভাৱে স্বামীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ তুলি যোৱাক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। আৰক্ষীৰ ক্ষিপ্ৰ অনুসন্ধানেহে নিশ্চিত কৰিব পাৰিব প্ৰকৃততে পল্লৱী গগৈ সন্তানসহ আত্মঘাতী হোৱাৰ প্ৰকৃত ৰহস্য কি আছিল। ইতিমধ্যে মৃতদেহ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

# ৰাসৰ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**ই-সংবাদ, বৰমা, ১ নৱেম্বৰঃ** প্ৰথম সংখ্যক বৃহত্তৰ বৰমা ৰাস মহোৎসৱ অহা ১৫ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ সাত দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। বৃহত্তৰ বৰমা ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। স্মৃতিগ্ৰন্থত প্ৰকাশ কৰিবৰ বাবে অঞ্চলবাসীৰ পৰা মানবিশিষ্ট প্ৰবন্ধ আদি আহ্বান কৰা হৈছে। উল্লেখ্য যে, স্মৃতিগ্ৰন্থৰ বাবে ৰাসকেন্দ্ৰিক লেখাৰ লগতে ৰামায়ণী সাহিত্য, বৈদিক সভ্যতা-সংস্কৃতি, সাময়িক, বৈষ্ণৱ সাহিত্য, অনুবাদ সাহিত্য, সাহিত্য, সাম্প্ৰতিক চিন্তাধৰ্মী লেখা ইত্যাদি আহ্বান কৰা হৈছে। লিখনিসমূহ গোট গোট হাতৰ আখৰেৰে লিখি বা ডিটিপি কৰি ৩ নৱেম্বৰৰ ভিতৰত পোৱাকৈ আলকাচ আলী, সম্পাদক, স্মৃতিগ্ৰন্থ, বৃহত্তৰ বৰমা ৰাস মহোৎসৱ উদযাপন সমিতি, বৰমা, বাকসা ৭৮১৩৪৬ অথবা ৱাটছআপ নম্বৰ ৯৯৫৭৮৯৮৪৩৭ ত পঠাব পাৰিব।

# সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন



**ই-সংবাদ, তামুলপুৰ, ১ নৱেম্বৰঃ** সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ অন্তৰ্গত খৈৰাণী চাৰিআলিত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত পতাকা উত্তোলন কৰে সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা তামুলপুৰ জিলা সমিতিৰ সভাপতি মনিকুমাৰ অধিকাৰীয়ে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা তামুলপুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি আনন্দ ৰামচিয়াৰী, সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক উপেন ৰাভা, তামুলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক কানু মুৰ্মু, খৈৰাণী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা মাৰিয়ামপুৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক টেকনাথ উপাধ্যায়, খৈৰাণী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী দুৰ্গা প্ৰসাদ দাহাল, কৃষ্ণ প্ৰসাদ দাহাল, ভীম গড়তোলা, অসম নেপালী সাহিত্য সভা তামুলপুৰ জিলা সমিতিৰ সহকাৰী সম্পাদক সুমন গড়তোলাৰ লগতে বিশিষ্ট ব্যক্তিসকল। সভাত আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা জনোৱা হয়।

# ছাইনিং গ্ৰীন আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেচনৰ বস্ত্ৰ বিতৰণ

**ই-সংবাদ, বিশ্বনাথ, ১ নৱেম্বৰঃ** মানৱ সেৱাই পৰম ধৰ্ম- এই আপ্তবাক্য শাৰীক সৰোগত কৰি ছাইনিং গ্ৰীন আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেচনে বিভিন্ন সময়ত বস্ত্ৰ বিতৰণ কৰি আহিছে। এইবাৰো বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তীৰ চেলাইখাতি বনগাঁৱত ছাইনিং গ্ৰীন আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেচনৰ সঞ্চালক ড০ কিশোৰ হাজৰিকা, সঞ্চালিকা স্নিগ্ধাজ্যোতি গোস্বামী হাজৰিকাই ৰাইজৰ মাজত কম্বল বিতৰণ কৰে। তেওঁলোকৰ পুত্ৰ ঋিতম কাশ্যপৰ জন্মদিন উপলক্ষে আয়োজন কৰা শীতকালীন বস্ত্ৰ বিতৰণ কাৰ্যসূচীত শতাধিক লোকক গৰম বস্ত্ৰ প্ৰদান কৰা হয়। চেলাইখাতিৰ ২নং নদুৱাৰ ফৰেষ্ট প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত আয়োজন কৰা সাংবাদিক ৰমেশ চন্দ্ৰ চৰেণে আঁত ধৰা বস্ত্ৰ বিতৰণ কাৰ্যসূচীত ঋিতম কাশ্যপক জন্মদিন উপলক্ষে স্থানীয় ৰাইজে কুশল কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই আশিস প্ৰদান কৰে। ঋিতমেও আনন্দ মনেৰে নিজ হাতে ৰাইজৰ মাজত শীতকালীন বস্ত্ৰ বিতৰণ কৰে। প্ৰথমবাৰৰ বাবে চেলাইখাতি বনগাঁৱৰ দৰে পিছপৰা গাঁওখনত ব্যক্তিক্ৰমী ৰূপত জন্মদিন পালন কৰা ছাইনিং গ্ৰীন আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেচনৰ সঞ্চালক, সঞ্চালিকাগৰাকীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে এই মহান কাৰ্যক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমে হেৰুৱালে আৰু এজন অভিভাৱক

মঞ্চশিল্প আৰু টেলিভিচন বিষয়ত অধ্যয়ন কৰিও আপোন অসম ভূমিলৈ উভতি আহি নতুন নাট্য আন্দোলনৰ পাতনি মেলি অসমৰ নাট জগতত আলোড়নৰ সৃষ্টি কৰিছিল। সেইগৰাকী জাতীয়তাবাদী, বিশিষ্ট লিখক, নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই শুকুৰবাৰে সন্ধিয়া ৮ বাজি ২০ মিনিটত অচিনা দেশলৈ মেলানি মাগিলে। জাতীয় স্বাভিমান লৈ ওৰে জীৱন জাতিটোৰ কথাই ভবা কুলদা কুমাৰ ভট্টাচাৰ্য বৈকুণ্ঠগামী হোৱাৰ সময়ত বয়স আছিল ৯৬ বছৰ। বিশিষ্ট নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই দিছপুৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। ১২ দিন পূৰ্বে বেছি অসুস্থ হৈ পৰাত চিৰকুমাৰ অভিনেতাজনক শুভকাংক্ষীয়ে দিছপুৰ হাস্পতালত ভৰ্তি কৰাইছিল। নিম'নিয়া আৰু হৃদৰোগৰ সমস্যাত ভোগাত বিশেষজ্ঞ চিকিৎসকৰ দলে চিকিৎসা কৰি আছিল যদিও পুনৰ সুস্থ কৰিব নোৱাৰিলে। অসমীয়া জাতিয়ে দীপাৱলীৰ আনন্দ-উল্লাস কৰি থকাৰ সময়তে জাতীয় জীৱনৰ আন এগৰাকী অভিভাৱক চিৰদিনৰ বাবে গুছি গ'ল। চিৰকুমাৰ কুলদা কুমাৰ ভট্টাচাৰ্যই ইলোৱা বিজ্ঞান মঞ্চৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধনৰ বাবে মৰণোত্তৰভাৱে দেহদান কৰি গৈছিল। কাইলৈ পুৱা তেওঁৰ শৰীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে চমজি ল'ব বুলি জানিব পৰা গৈছে। অসমীয়া জাতি ৰক্ষাৰ হকে শেষ সময়লৈকে 'কা' বিৰোধী আন্দোলনৰ সপক্ষে থিয় দি থকা জাতীয়তাবাদী, বিশিষ্ট লিখক, নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই অসমৰ জাতীয় জীৱনলৈ বিশেষ অৰিহণা যোগাইছে। অসমৰ নাট্য আন্দোলনৰ প্ৰহৰী, নাট্যজগতত নতুন ধাৰাৰ সৃষ্টিত অৰিহণা যোগোৱা ভট্টাচাৰ্য অবিহনে অসমৰ নাট্যজগতত উকা হৈ ৰ'ব বুলিয়েই ক'ব পাৰি। অবিস্মৰণীয় অৰিহণা যোগাই অসমৰ নাট-কলা-সংস্কৃতিৰ পথাৰ সমৃদ্ধ কৰিছিল ভট্টাচাৰ্যই। প্ৰখ্যাত নাট্যকাৰ ড০ ভবেন্দ্ৰনাথ শইকীয়া, অৰুণ শৰ্মা, মহেন্দ্ৰ বৰঠাকুৰ আদিৰ সৈতে ৰেডিঅ' নাটক, ভ্ৰাম্যমাণ নাটকৰ বিপ্লৱৰ সূচনা কৰিছিল। গুৱাহাটীত জন্মগ্ৰহণ কৰা ভট্টাচাৰ্য একেধাৰে অনাতাঁৰ শিল্পী, নাট্যকাৰ, অভিনেতা, পৰিচালক, ধাৰাভাষ্যকাৰ, আবৃত্তিকাৰ আছিল। লণ্ডনত মঞ্চকলা, ফিল্ম আৰু টেলিভিছন বিষয়ত পেচাদাৰী প্ৰশিক্ষণ লৈছিল ভট্টাচাৰ্যই। অনাতাঁৰ নাট 'পৰশুৰাম'ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিছিল। অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত বহু চিৰযুগমীয়া ৰেডিঅ' নাটত অভিনয় কৰিছিল। অৰুণ শৰ্মাৰ বহুল জনপ্ৰিয় নাট 'আহাৰ' আৰু 'নিবাৰণ ভট্টাচাৰ্য'ত কৰা অভিনয়েৰে দৰ্শকক মুগ্ধ কৰিছিল অভিনেতাগৰাকীয়ে। ১৯৩৩ চনৰ ১৮ আগষ্টত পাণবজাৰৰ বিখ্যাত অধিবক্তা কালিপ্ৰসাদ ভট্টাচাৰ্যৰ ঘৰত জন্মগ্ৰহণ কৰছিল। ১৯৪৬ চনত মেট্ৰিকুলেচন পৰীক্ষা আৰু কটন কলেজৰ পৰা তেওঁ বিএ পাছ কৰে। এমএ পাছ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। ২৭ বছৰ বয়ত ১৯৬০ চনত জাৰ্মানীলৈ গৈ অনাতাঁৰ, মঞ্চশিল্প আৰু টেলিভিচন বিষয়ত তেওঁ অধ্যয়ন কৰে। লণ্ডনত থকাৰ সময়ত এখন কিতাপৰ দোকানত বিক্ৰেতাৰূপে আৰু বিবিচিৰ বঙালী শাখাত কাম কৰিছিল। ভাৰতলৈ ঘূৰি আহি প্ৰথমে দিল্লীত এটা ইংৰাজ নাট্য গোষ্ঠীৰ সৈতেও কাম কৰিছিল। হবিব তনবীৰ, সুষমা শেঠৰ সৈতেও কাম কৰিছিল তেওঁ। কুলদা কুমাৰ ভট্টাচাৰ্যই অসমলৈ ঘূৰি আহি অল ইণ্ডিয়া ৰেডিঅ'ৰ কাৰ্যবাহী প্ৰযোজকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। আকাশবাণীৰ কাৰ্যবাহী প্ৰযোজক ৰূপে শ্বেক্সপীয়েৰৰ হেমলেটকে ধৰি কেইবাখনো প্ৰখ্যাত নাটকৰ অনাতাঁৰ প্ৰচাৰৰ বাবে উদ্যোগ গ্ৰহণ কৰিছিল। ১৯৬০ চনৰ অসম জাতীয় নাট্যশালা প্ৰতিষ্ঠা কৰি অসমৰ থিয়েটাৰী মঞ্চৰ অভিনেতা ৰূপে কাম কৰি গৈছিল। লণ্ডন আৰু জাৰ্মানীত শিক্ষাগ্ৰহণ কৰি আহি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ওচৰ চাপিছিল। তাৰ পাছতে অল ইণ্ডিয়া ৰেডিঅ', দূৰদৰ্শনৰ লগতে ৰাজ্যখনত নাট মঞ্চস্থ কৰি নাট্যৰসিকক মঞ্চ অভিনয়ৰ সোৱাদ দিছিল। গণ নাট্য সংঘৰ সৈতে জড়িত থাকিও তেওঁ নাটক মঞ্চস্থ কৰিছিল। কলেজত পঢ়ি থকাৰ সময়ত হেমাংগ বিশ্বাসৰ নেতৃত্বত ভাৰতীয় গণনাট্য সংঘৰ সৈতে জড়িত হৈ পৰিছিল। কুলদা কুমাৰ ভট্টাচাৰ্যই ভূপেন হাজৰিকাই পৰিচালনা কৰা শকুন্তলা, ১৯৬৬ চনত লটিঘটি, ১৯৬৯ চনত চিকমিক বিজুলী, ১৯৯২ চনত মুনিন বৰুৱাই পৰিচালনা কৰা প্ৰভাতী পখীৰ গান, ২০১১ চনত ৰামধেনু, ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ আদি ছবিত অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা ছবিয়ে ফিল্মফেয়াৰ বঁটালৈ মনোনয়ন, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত নাৰ্গিচ দত্ত বঁটা, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বহু নাটক, বহু তথ্যচিত্ৰত অভিনয় কৰিছে। দূৰদৰ্শনৰ ১৯৯৪ চনত নিৰ্মিত ধাৰাবাহিক 'তেজাল ঘোঁৰা' পৰিচালনা কৰিছিল। এয়া হৈছে আজিৰ তাৰিখলৈকে সৰ্বোত্তম অসমীয়া ধাৰাবাহিক। ভট্টাচাৰ্যই এই চহৰতে, ত্ৰিকাল, দামিনী, হিন্দী ভাষাৰ গেটৱে ছিৰিয়েলত অভিনয় আৰু পৰিচালনা কৰিছিল। ৰাজ্যৰ সামাজিক ৰাতাবৰণ আৰু ৰাজনৈতিক পৰিৱেশ প্ৰত্যক্ষ কৰি ইছাট-বিছাট কৰি উঠিছিল সামাজিক আৰু ৰাজনৈতিকভাৱে সদা সচেতন ভট্টাচাৰ্যই। মহান আৰু বিশাল সৃষ্টিৰে অসমীয়া জাতিক মহীয়ান কৰা মানুহজনে আজিৰ অসমৰ ৰাজনীতিত বৰ্তমানৰ পৰিৱেশ দেখি ক্ষোভত ফাটি পৰিছিল। জাতিক সংকটত আৰু অস্তিত্বত পেলাব খোজা আজিৰ ৰাজনীতিকৰ কৰ্ম-কাণ্ড দেখি তেওঁ একাংশ ৰাজনীতিকক নাম ধৰি দুৰ্বৃত্ত আখ্যা দিছিল। অসমীয়াৰ লগতে সলসলীয়াকৈ ব্ৰিটিছ ইংলিছ, বঙালী আৰু হিন্দী ভাষাত দখল থকা অভিনেতা আছিল ভট্টাচাৰ্য। ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠান জ্যোতি চিত্ৰবনৰ প্ৰতিষ্ঠাপক সঞ্চালক আছিল তেওঁ। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতা আৰু ইণ্ডিয়ান পেনোৰামাৰ বাবে দুবাৰকৈ জুৰীৰ সদস্য নিৰ্বাচিত হৈছে। ২০১৮ চনত প্ৰাগ চিনে এৱাৰ্ডে নৰ্থ ইষ্টৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰে। এগৰাকী কীৰ্ত্তিমান গদ্য লেখক হোৱাৰ লগতে নিয়মীয়াকৈ তেওঁ কাকত-আলোচনীত চিনেমা, ক্ৰীড়া বিষয়ত লেখা-মেলা কৰিছিল। জাতীয়তাবাদক শক্তিশালী কৰিবলৈ অশেষ অৰিহণা যোগোৱা মহীৰুহক অসমবাসীয়ে সদায়েই মনত ৰাখিব। এই মৃত্যু অসমৰ জাতীয় জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। এনে এগৰাকী জাতিৰ অভিভাৱক সদৃশ ব্যক্তিক হেৰুওৱাৰ খবৰ পাই মৰ্মাহত হৈ পৰিছে ৰাজ্যবাসী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে আকাশবাণী, চলচ্চিত্ৰ আৰু সৰু পৰ্দাৰ প্ৰবীণ অভিনেতা মোৰ অতি শ্ৰদ্ধাৰ কুলদা কুমাৰ ভট্টাচাৰ্যদেৱৰ প্ৰয়াণৰ খবৰ শুনি অতি মৰ্মাহত হ'লো। বলিষ্ঠ কণ্ঠৰ অধিকাৰী ভট্টাচাৰ্যদেৱ আছিল এগৰাকী সু-আবৃত্তিকাৰ আৰু তথ্যচিত্ৰ পৰিচালকো। বহুকেইখন অসমীয়া চিনেমা, আকাশবাণীৰ নাটককে ধৰি মঞ্চ অভিনয়তো দক্ষতাৰ পৰিচয় দি অভিনয়প্ৰেমীৰ হৃদয়ত বিশেষ আসন দখল কৰা ভট্টাচাৰ্যদেৱৰ প্ৰয়াণত অসমৰ সাংস্কৃতিক জগতখনত পূৰাব নোৱৰা ক্ষতি হ'ল। প্ৰখ্যাত অভিনয় শিল্পীগৰাকীৰ অসমৰ সাংস্কৃতিক জগতখনলৈ অৱদান উত্তৰসুৰীয়ে যুগে যুগে স্মৰণ কৰিব। তেখেতৰ পুণ্য আত্মাই বৈকুণ্ঠত স্থান লাভ কৰক, সেয়াই ঈশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনালো। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো। তেওঁৰ বিয়োগত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও কুলদা কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। অজাপৰ সভাপত লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈয়েও শোক প্ৰকাশ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# দীপাৱলীৰ নিশা গুৱাহাটীৰ কেইবাঠাইত অগ্নিকাণ্ডৰ ঘটনা

**ই-সংবাদ, ১ নৱেম্বৰঃ** দীপাৱলীৰ আনন্দ-উল্লাস একাংশ লোকৰ বাবে হৈ পৰিল কাল অমানিশা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত দীপাৱলীত ফুটুৱা ফটাকৰ জুইৰ ফলত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজধানী গুৱাহাটীত কেইবাটাও অনাকাংক্ষিত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। ধৰ্ম, বৰ্ণ নিৰ্বিশেষ চাকি জ্বলাই, ফটকা ফুটাই দীপাৱলী পালন কৰি থকাৰ সময়তে গুৱাহাটীত নিশা কেইবাটাও অগ্নিকাণ্ড সংঘটিত হয়। খানাপাৰা-জালুকবাৰী ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ বেহাৰবাৰীৰ শৰ্মাকাটা, ফটাশিল আমবাৰী, গণেশপাৰা, লাচিতনগৰ আদি এলেকাত অগ্নিকাণ্ড সংঘটিত হয়। দিপাৱলীৰ উগুল-থুগুল পৰিস্থিতিৰ মাজতে নিশা বেহাৰবাৰীৰ শৰ্মাকাটাত অগ্নিকাণ্ড সংঘটিত হয়। প্ৰায় আধা ঘণ্টাৰ ভিতৰতে তিনিটাকৈ গুদামত অগ্নিকাণ্ডত সংঘটিত হৈ কয়লা, টায়াৰ, গেৰেজৰ সামগ্ৰী সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিনিৰ্বাপক বাহিনীৰ দহখন গাড়ীয়ে কেইবা ঘণ্টাৰ প্ৰয়াসৰ অন্তত অগ্নিকাণ্ড নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। বিধ্বংসী অগ্নিকাণ্ড ফটকাৰ জুইৰ পৰা সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। সন্ধিয়াৰ পৰা গভীৰ নিশালৈ ফটাশিল আমবাৰী, গণেশপাৰা, লাচিত নগৰতো ফটকাৰ জুইৰ পৰা অগ্নিকাণ্ড সংঘটিত হয়। পৃথকে পৃথকে সংঘটিত অগ্নিকাণ্ডত কেইবাটাও ঘৰৰ ক্ষতিসাধন হয়। অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীয়ে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডত কেইবা লক্ষ টকাৰ ক্ষতি সাধন হয়।

# পালহাজীৰ মহিলা নিৰুদ্দেশ



**নিজা ই-সংবাদ সেৱা, ১ নৱেম্বৰঃ** নামনি অসমৰ মহিলা মধ্য অসমত নিৰুদ্দেশ হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে বৰপেটা জিলাত। বৰপেটা জিলাৰ পালহাজী গাঁৱৰ শ্বেখ ছত্তৰ আলীৰ পত্নী ৰহিমা খাতুন ২৯ অক্টোবৰৰ পৰা হোজাই জিলাৰ হোজাই ৰে'ল ষ্টেচনৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালে বিভিন্ন ধৰণে বিচাৰ-খোচাৰ কৰি কোনো সন্ধেদ নোপোৱাত স্থানীয় আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে, হোজাইস্থিত আজমল ফাউণ্ডেচনৰ মাদ্ৰাছাত অধ্যয়নৰত ১৩ বছৰীয়া সন্তান পালহাজী গাঁৱৰ ঘৰলৈ আহিছিল। মাতৃ ৰহিমা খাতুনে পালহাজী গাঁৱৰ ঘৰৰ পৰা পুত্ৰক হোজাইলৈ নি মাদ্ৰাছাত থৈ ঘৰলৈ উভতি আহিবৰ বাবে হোজাই ৰে'ল ষ্টেচনত উপস্থিত হয়। তেতিয়ালৈ পৰিয়ালৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছিল ৰহিমাই। কিন্তু দিনৰ প্ৰায় ১২ বজাৰ পাছৰে পৰা পুনৰ মোবাইল যোগযোগ কৰিবলৈ সক্ষম নহ'ল। পৰিয়ালে শেষত স্থানীয় আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ৰহিমা খাতুনৰ কোনো সন্ধেদ পালে স্থানীয় আৰক্ষী থানাত নতুবা ৯৮৫৪২০২৭৫১ নম্বৰত যোগাযোগ কৰিবলৈ উদ্বিগ্ন হৈ পৰা পৰিয়ালৰ লোকসকলে টানি অনুৰোধ জনাইছে।

# বিএছএফৰ অভিযান, ৰাজ্যত পুনৰ ধৃত দুই বাংলাদেশী

**ই-সংবাদ, ১ নৱেম্বৰঃ** গণ অভ্যুত্থানৰ পাছৰে পৰা বাংলাদেশী নাগৰিকে ভাৰতত প্ৰৱেশৰ চেষ্টা কৰি থকাৰ সময়তে পুনৰ দুই বাংলাদেশী নাগৰিকক ধৰিবলৈ সক্ষম হৈছে নিৰাপত্তাৰক্ষী। ভাৰত-বাংলাদেশ সীমান্তৰে ভাৰতত প্ৰৱেশ কৰা দুই বাংলাদেশী বৰাক উপত্যকাৰ কৰিমগঞ্জত ধৰা পৰিছে। সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বিএছএফে কৰিমগঞ্জত অভিযান চলাই কবিৰ শিখধৰ আৰু মহম্মদ চেলিম নামৰ বাংলাদেশীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, সীমান্তৰ জনশূন্য এলেকাৰে দুই বাংলাদেশীয়ে গোপনে প্ৰৱেশ কৰি কৰিমগঞ্জত বাহৰ পাতি আছিল। বাংলাদেশী নাগৰিক দুজনে কি উদ্দেশ্যে ভাৰতত প্ৰৱেশ কৰিছিল সেই কথা জানিব পৰা হোৱা নাই। উল্লেখ্য যে, বাংলাদেশত গণ অভ্যুত্থানৰ পাছৰে পৰা বহু লোকে ভাৰতত প্ৰৱেশৰ চেষ্টা কৰি গৈছে। ইতিমধ্যে কেইবাজনো লোকক ভাৰতৰ সীমান্তৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বহু লোকক সীমান্তৰ পৰা উভতাই পঠিয়াবলৈ সক্ষম হৈছে। ছাত্ৰ আন্দোলনত জৰ্জৰিত চুবুৰীয়া দেশখনত বহু লোকে সংস্থাপন হেৰুওৱাৰ লগতে তদানীন্তন শাসকীয় দল আৱামী লিগৰ একাংশ নেতাই প্ৰাণৰ সংশয়ত ভাৰতত প্ৰৱেশ কৰিব খোজা বুলি চৰ্চা হৈ আহিছে। এনে কাৰ্যই সীমান্তৰ অসমবাসীকো উদ্বিগ্ন কৰি তুলিছে।

# বিজিবিক মিঠাই প্ৰদান বিএছএফৰ

**ই-সংবাদ, ১ নৱেম্বৰঃ** পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি ভাৰত-বাংলাদেশ সীমান্তত দীপাৱলী উপলক্ষে দুয়োদেশৰ নিৰাপত্তাৰক্ষীয়ে মিঠাইৰ আদান-প্ৰদান কৰে। কৰিমগঞ্জ জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সুতাৰকান্দি শ্বেওলাস্থিত বন্দৰত ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বিএছএফ আৰু সীমান্ত ৰক্ষী বাংলাদেশ চমুকৈ বিজিবিয়ে দেৱালীৰ প্ৰাকমুহূৰ্তত শুভেচ্ছা আৰু মিঠাইৰ আদান-প্ৰদান কৰে। বিএছএফৰ ১৬, ১৩৪ আৰু ১৭০ নং বেটেলিয়নে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিজিবিৰ ১৯ আৰু ৫২ নং বেটেলিয়ন মিঠাই আগবঢ়ায় দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰে। বিএছএফে কৰিমগঞ্জ ষ্টেমাৰঘাট-জাকিগঞ্জ, পাথাৰকান্দিৰ লাটিটিল-আইৰণ ব্ৰীজ আৰু কাছাৰৰ কাতিগৰাহ-টুকেৰগ্ৰাম সীমান্তত বিজিপিক শুভেচ্ছা বিনিময় কৰিছে। বিএছএফৰ বিষয়াই কয় যে এনে পৰম্পৰাই ভাৰত-বাংলাদেশৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব। লগতে শেহতীয়া পৰিৱেশত দুয়ো চুবুৰীয়া দেশৰ সীমান্ত বাহিনীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বজাই ৰখাত সহায় কৰিব বুলি আশা কৰা হৈছে।




**শুকুৰবাৰে লখিমপুৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত অগ্নিকাণ্ড নিৰ্বাপণৰ প্ৰয়াস অগ্নিনিৰ্বাপক বাহিনীৰ**

# প্ৰদেশ কংগ্ৰেছৰ মুখপত্ৰৰ সম্পাদনা কমিটী গঠন

**গুৱাহাটী, ১ নৱেম্বৰঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ দ্বাৰা প্ৰকাশিতব্য 'কংগ্ৰেছ দৰ্পন' শীৰ্ষক মাহেকীয়া মুখপত্ৰখনৰ বাবে আজি সম্পাদনা কমিটীখন প্ৰকাশ কৰা হয়। এই অনুসৰি প্ৰাক্তন বিধায়ক হিৰণ্য বৰা আৰু প্ৰাক্তন সাংসদ বিষ্ণু প্ৰসাদক উপদেষ্টা হিচাপে আৰু প্ৰাক্তন সাংসদ আব্দুল খালেকক অধ্যক্ষ হিচাপে দায়িত্ব অৰ্পন কৰা হৈছে। লগতে বিধায়িকা শিৱামণি বৰা, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, সহ-অধ্যক্ষ মেহদী আলম বৰা, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সাংগঠনিক) বিপুল গগৈ, সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ ৰাতুল কলিতা, জ্যেষ্ঠ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰ, গৱেষণা বিভাগৰ অধ্যক্ষ নেত্ৰৰঞ্জন চৌধুৰী, জ্যেষ্ঠ মুখপাত্ৰ প্ৰবীণ বড়ো আৰু মুখপাত্ৰ বিদিশা নেওগক সম্পাদনা কমিটীখনত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। মুখপত্ৰ 'কংগ্ৰেছ দৰ্পন'ৰ সম্পাদক হিচাপে দায়িত্ব অৰ্পন কৰা হৈছে প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ প্ৰফুল্ল কুমাৰ দাসক। উল্লেখ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ইতিপূৰ্বে মুখপত্ৰ প্ৰকাশন কমিটীখন প্ৰকাশ কৰিছিল আৰু কমিটীয়ে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। সেয়ে অচিৰেই মুখপত্ৰ 'কংগ্ৰেছ দৰ্পন' প্ৰকাশ পাব বুলি আশা কৰা হৈছে।

# ব্ৰহ্মপুৰ জলস্তৰ হ্ৰাস, সলনি হৈছে অফলামুখ ঘাটৰ ৰেম্প

**ই-সংবাদ, মাজুলী, ১ নৱেম্বৰঃ** ব্ৰহ্মপুত্ৰৰ জলৰাশি অস্বাভাৱিকভাৱে শুকাই গৈছে। দিনে দিনে হ্ৰাস পাইছে ব্ৰহ্মপুত্ৰৰ জলৰাশি। যাৰ পৰিপেক্ষিত এতিয়া মাজুলীৰ পৰা পোনপটীয়াকৈ দক্ষিণ দিশৰ লগত যাতায়াতৰ একমাত্ৰ মাধ্যম মাজুলী-নিমাতী ফেৰী সেৱাত আহিছে বিপদ। এতিয়া বিশাল ব্ৰহ্মপুত্ৰৰ যেনিয়েই চায় তেনিয়েই দেখিব কেৱল বালিচৰ।এই বালিচৰেই এতিয়া ফেৰী চলাচলত সৃষ্টি কৰিছে ব্যাপক সমস্যাৰ। ব্ৰহ্মপুত্ৰৰ তলি বাম হৈ ঠায়ে, ঠায়ে ওলাই পৰিছে বালিচৰ। মাজুলীৰ কমলাবাৰীৰ পৰা নিমাতী ঘাটলৈ চলাচল কৰা ফেৰীসমূহ সঘন বালিচৰত আবদ্ধ হৈ পৰাত ফেৰী চলাচলৰ সমস্যা হোৱাত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বন্ধ ৰাখিব লগা হৈছিল কমলাবাৰী ঘাটৰ পৰা চলাচল কৰা যাত্ৰীবাহী ফেৰীসমূহ। মাজুলীৰ ঐতিহাসিক এই কমলাবাৰী ফেৰী ঘটটো ১০টা দিনে বন্ধ হৈ হৈ থকাৰ পাছত ড্ৰেজাৰেৰে ফেৰী চলাচলৰ সুবিধা হোৱাকৈ ব্ৰহ্মপুত্ৰৰ বুকুৰ ফেৰীপথ খনন কাৰ্য আৰম্ভ কৰি ৰাইজৰ সুবিধাৰ বাবে ৩০ অক্টোবৰৰ পৰা ফেৰী সেৱা পুনৰ আৰম্ভ কৰিছে। কমলাবাৰী ঘাট পূৰ্বৰ স্থানৰ পৰা স্থানান্তৰ কৰি ঘাটটো ব্ৰহ্মপুত্ৰৰ মাজৰ দৰবাৰ চাপৰিলৈ স্থানান্তৰ কৰিব লগা পৰিৱেশ সৃষ্টি হৈছে নদীৰ বুকু বাম হৈ যোৱাৰ বাবে। দুটা দিনে নিয়মীয়াকৈ ফেৰী সেৱা চলিছে ঘাটটোত। এই কমলাবাৰী ফেৰী ঘাটটো বন্ধ হৈ থাকোঁতে অফলামুখ ফেৰী ঘাটৰ ওপৰতেই নিৰ্ভয় কৰিব লগা হৈছিল সমগ্ৰ মাজুলীবাসীয়ে উ ক্ত অফলামুখ ফেৰীঘাটৰ পৰাই নিমাতী ঘাটলৈ সঘন ফেৰী সেৱা চলাচল কৰি মাজুলীবাসীক সকাহ দিয়াৰ বাবে মাজুলী জিলা প্ৰশাসনে গুৰুত্ব দিছিল। আনকি কমলাবাৰী ফেৰী ঘাট বন্ধ হৈ পৰা পৰিৱেশ বুজ ল'বলৈ মন্ত্ৰী কেশৱ মহন্ত অফলামুখ ফেৰী ঘাটেৰেই নিমাতীৰ পৰা মাজুলীলৈ আহি ব্ৰহ্মপুত্ৰৰ নদী পথ পৰ্যবেক্ষণ কৰিছিল, আৰু যিহেতু এটা ঘাটৰ ওপৰতেই মাজুলীবাসীয়ে নিৰ্ভৰ কৰিব লগা হৈছিল তাৰ বাবে অফলামুখ পাৰ ঘাটটোক অধিক গুৰুত্ব দি মাজুলীৰ ৰাইজৰ কোনো অসুবিধা নোহোৱাকৈ ফেৰীসমূহ সঘন চলাচলৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু এতিয়া অফলামুখ পাৰঘাটটোলেও আহিছে বিপদ। নিতৌ হ্ৰাস পোৱা ব্ৰহ্মপুত্ৰৰ জলস্তৰে ফেৰী ঘাটটোৰে চলাচল কৰা ফেৰী সেৱাতো সমস্যাৰ সৃষ্টি কৰিছে। নদীখনৰ তলি বাম হৈ যোৱাৰ বাবে কিছু কিছু অংশত ফেৰীসমূহ বালিত চুঁচৰি গৈছে বুলি পাৰঘাটত থকা আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্মচাৰীৰ পৰা জানিব পৰা গৈছে।

## ভাঙি দিলে স্কৰপিঅ', দুজন বিজেপি কৰ্মী আহত

# চামগুৰিত বিজেপি কংগ্ৰেছ কৰ্মীৰ মাজত হতাহতি

**ই-সংবাদ, পুৰণিগুদাম, ১ নৱেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ মোৰামাৰী আৰক্ষী চকীৰ অন্তৰ্গত কনুৱামাৰীত আজি দুজনকৈ বিজেপি কৰ্মী কংগ্ৰেছৰ সমৰ্থকৰ আক্ৰমণত আহত হোৱাৰ বিপৰীতে ৰূপহী থানাৰ অধীনস্থ কাৰৈমাৰী আৰক্ষী চকীৰ অন্তৰ্গত কদমগুৰিত দুষ্কৃতিকাৰীয়ে এখন স্কৰপিঅ' গাড়ী ভাঙি দিয়ে। ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কদমগুৰিৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ওভতাৰ পাছতেই দুষ্কৃতিকাৰীয়ে স্কৰপিঅ' বাহনখন ভাঙি পেলোৱাৰ লগতে বাহনখনত থকা চাৰিজন ব্যক্তিক প্ৰহাৰ কৰি আহত কৰে বুলি অভিযোগ উঠিছে। আৰক্ষী উপস্থিত হৈ বাহনখনৰ লগতে প্ৰহৃত ব্যক্তি কেইজনকো উদ্ধাৰ কৰি থানালৈ লৈ যায় বুলি জানিব পৰা গৈছে। স্কৰপিঅ' বাহনখন ভঙাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা একাংশ বৈদ্যুতিন মাধ্যমৰ সাংবাদিককো বাহন ভঙাৰ দৃশ্য সংগ্ৰহ কৰিবলৈ বাধা প্ৰদান কৰি দুষ্কৃতিকাৰীয়ে খেদি পঠিয়ায় বুলি জানিব পৰা গৈছে। এই ঘটনা কোন ৰাজনৈতিক দলে সংঘটিত কৰিছে সেয়া বাতৰি লিখাৰ সময়লৈকে জানিব পৰা হোৱা নাই। ইপিনে, মোৰামাৰী থানাৰ অন্তৰ্গত কনুৱামাৰীত বিজেপি কৰ্মীয়ে কংগ্ৰেছৰ সমৰ্থকে অতি উচ্চস্বৰত নিৰ্বাচনী প্ৰচাৰৰ লাউড স্পীকাৰ কম স্বৰত বজাবলৈ অনুৰোধ কৰাৰ পাছতেই দুই ৰাজনৈতিক দলৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। কংগ্ৰেছী সমৰ্থকৰ আক্ৰমণত দুজন বিজেপি কৰ্মী আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। কংগ্ৰেছীৰ প্ৰহাৰত আহত বিজেপি কৰ্মী দুজন কনুৱামাৰীৰ ছাহজাহান আলী আৰু য়াছিন আলী বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত মোৰামাৰী আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আজিৰ এই দুই হিংসাত্মক ঘটনাৰ লগতে প্ৰতি দিনাই চামগুৰিত বিজেপি-অগপৰ সমৰ্থকৰ লগত কংগ্ৰেছৰ সমৰ্থকৰ সৰু-বৰ কেইবাটাও মাৰপিটৰ ঘটনা সংঘটিত হৈ আহিছে। যোৱা ১৫ অক্টোবৰত শালপাৰা বৰতলত সংঘটিত মাৰপিটৰ ঘটনাত বহু কেইজন কংগ্ৰেছ আৰু বিজেপি-অগপৰ সমৰ্থক আহত হৈছিল।লগতে বিধায়িকা শিৰামণি বৰা আৰু বিধায়ক নুৰুল হুদাৰ বাহনকে ধৰি কেইবাখনো বাহন ক্ষতিগ্ৰস্ত হৈছিল। ইয়াৰ পাছতে কেইবাটাও মাৰপিটৰ ঘটনা সংঘটিত হৈছিল যদিও যোৱা ২৪ অক্টোবৰত চামগুৰিত বিজেপি-অগপ সমৰ্থকৰ লগত কংগ্ৰেছী সমৰ্থকৰ মাৰপিটৰ ঘটনাই কুৰুক্ষেত্ৰ ৰণৰ সৃষ্টি কৰিছিল। দুই ৰাজনৈতিক দলৰ আক্ৰমণ-প্ৰতি আক্ৰমণৰ ঘটনাত বিপুল শইকীয়া নামৰ এজন বিজেপি কাৰ্যকৰ্তায়ো শোকাৰহভাৱে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল। স্পৰ্শকাতৰ সমষ্টিত পৰিণত হোৱা চামগুৰিৰ বিক্ষিপ্ত ৰাজনৈতিক হিংসাত্মক ঘটনাক কেন্দ্ৰ কৰি প্ৰতিদিনাই সংবাদ শিৰোনামা দখল কৰি আহিছে। সাংসদ ৰকিবুল হুছেইনে বিগত ২৩ বছৰ ধৰি দখল কৰি অহা চামগুৰি সমষ্টিক নিজৰ দখললৈ আনিবলৈ বিজেপি-অগপ শিৰিৰে কোনো ধৰণৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। কংগ্ৰেছৰ অভেদ্য দুৰ্গ ৰূপে পৰিগণিত হোৱা চামগুৰিক উদ্ধাৰ কৰিবলৈ বিজেপিৰ ৰথী-মহাৰথী সকলোৱে ইতিমধ্যে চামগুৰিত নামি পৰিছে।

# নাই পানী, নাই এম্বুলেন্সৰ চালক, খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰৰ পয়ালগা অৱস্থা

**ই-সংবাদ, দলগাঁও, ১ নৱেম্বৰঃ** খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰৰ পঁয়ালগা অৱস্থাই চকু কপালত তুলিছে দল -সংগঠনৰ। খোদ স্বাস্থ্য কেন্দ্ৰতেই বিৰাজ কৰিছে অস্বাস্থ্যকৰ পৰিৱেশ! খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অস্বাস্থ্যকৰ দৃশ্যই চকু কপালত তুলিছে সচেতন লোকৰ। স্বাস্থ্য কেন্দ্ৰত চিকিৎসাৰ বাবে নাই পৰ্যাপ্ত চিকিৎসক। যিকেইজন আছে সময়মতে উপস্থিত নোহোৱাৰ অভিযোগ তুলিছে চিকিৎসা গ্ৰহণ কৰিবলৈ যোৱা ৰোগীয়ে। উত্থাপিত অভিযোগৰ ভিত্তিত আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আব্দুৰ ৰহমান বিশ্বাসৰ নেতৃত্বত খাৰুপেটীয়া আঞ্চলিক সমিতিৰ এটা সঁজাতি দলে সামূহিক স্বাস্থ্যকেন্দ্ৰটো পৰিদৰ্শন কৰিবলৈ গৈ হতভম্ব হৈ পৰে। চিকিৎসালয়খন পৰিদৰ্শন কৰি বৃহত্তৰ খাৰুপেটীয়াৰ একমাত্ৰ চিকিৎসালয়খনত এক অস্বাস্থ্যকৰ পৰিৱেশ বিৰাজ কৰাৰ অভিযোগ তোলে আমছুৰ নেতৃত্বই। চাদৰ নথকা ফটা-চিঙা বিছনাৰ ওপৰতেই প্ৰসূতি-কেঁচুৱাৰ চিকিৎসা চলাইছে চিকিৎসকে। ৰোগীসকলৰ বাবে পানী যোগান ব্যৱস্থা আছে যদিও বিকল হৈ থকাত এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে ৰোগীয়ে হাহাকাৰ কৰিবলগীয়া হৈছে। আনহাতে, চিকিৎসালয়খনৰ ভিতৰতেই য'তে-ত'তে পাণ-গুটকাৰ পিক। সদায় চাফা নকৰাৰ ফলত সৃষ্টি হোৱা অস্বাস্থ্যকৰ পৰিৱেশক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আব্দুৰ ৰহমান বিশ্বাসে। মুঠতে খাৰুপেটীয়া সামূহিক চিকিৎসালয়ত সৃষ্টি হোৱা অস্বাস্থ্যকৰ পৰিৱেশ, চিকিৎসালয়ত চিকিৎসকৰ অনিয়মীয়া উপস্থিতি, এম্বুলেন্স সেৱা, পানীৰ অভাৱ আদিৰ লগতে আন্তঃগাঁথনি উন্নত কৰাৰ বাবে বিভাগীয় মন্ত্ৰী তথা দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানক দাবী জনায় আমছুৰ উপ-সভাপতি আব্দুৰ ৰহমান বিশ্বাসে।

# সত্ৰশালত গভাইত চোৰ ধৃত

**ই-সংবাদ, গোলকগঞ্জ, ১ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত সত্ৰশালৰ ৰামৰাইকুঠী প্ৰথম খণ্ড গাঁৱত কালি সন্ধিয়া স্থানীয় ৰাইজে এজন গভাইত চোৰক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চোৰজন আগমনি থানাৰ শেৰনগৰ তালতলাৰ নজবুল হকৰ পুত্ৰ জুলফিকৰ ৰহমান। জানিব পৰা মতে, গাঁওখনৰ শৈলেন শীলৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ জুলফিকৰে ইলেক্ট্ৰিক মটৰ লৈ পলায়নৰ চেষ্টা চলায়। স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি খেদি খেদি চোৰটোক আটক কৰে। চোৰটোক মটৰসহ হাতে-লোটে ধৰি খুঁটিত বান্ধি ওকিল সোধায়। আগমনি আৰক্ষীয়ে খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ চোৰটোক উদ্ধাৰ কৰি থানালৈ নিয়ে। ইয়াৰ পূৰ্বে ড্ৰাগছ সৰবৰাহ আৰু চুৰিৰ গোচৰত অভিযুক্ত হৈ দুবাৰকৈ ৰঙাঘৰৰ আলহী হৈছিল জুলফিকৰ। জুলফিকৰ জে'লৰ পৰা ওলাই অহাৰ পিছতে অঞ্চলটোত বৃদ্ধি পাইছে চুৰিৰ ঘটনা। উল্লেখ্য যে কিছুদিন পূৰ্বেও অঞ্চলটোত এখন বিদ্যালয়ৰ পৰা নিশাৰ অন্ধকাৰৰ সুযোগ গৈ মধ্যাহ্ন ভোজনৰ সা-সামগ্ৰী চুৰি কৰা ঘটনা সংঘটিত হৈছিল।

# লাহৰীঘাটত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ১ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আজি পুৱা প্ৰায় ২.৩০ বজাত নিৰ্ভৰযোগ্য সূত্ৰৰ তথ্য অনুসৰি লাহৰীঘাট আৰক্ষী থানাৰ আৰক্ষীৰ এটি দলে থানাৰ অন্তৰ্গত ধিঙৰআটি গাঁৱৰ আবু হানিফৰ ঘৰত অভিযান চলায়। অভিযানৰ সময়ত আৰক্ষীৰ দলটোৱে ড্ৰাগছ ব্যৱসায়ী আবু হানিফক আটক কৰাৰ লগতে তেওঁৰ ঘৰৰ পৰা ড্ৰাগছ ভৰ্তি ১৮ টা কণ্টেনাৰ আৰু ড্ৰাগছ ভৰ্তি প্লাষ্টিকৰ পলিথিন এটা জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৬.৪৬ গ্ৰাম।



## হাতীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ ৰক্ষা বৃদ্ধাৰ

# মৰিয়নী চৈকটা চাহ বাগিচাত বনৰীয়া হাতীৰ উপদ্ৰৱ

**ই-সংবাদ, মৰিয়নী, ১ নৱেম্বৰঃ** যোৰহাট জিলাৰ মৰিয়নিস্থিত গিবন অভায়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা প্ৰায় ষাঠিটা বনৰীয়া হাতীৰ এটা জাকে নিতৌ গিবন অভয়াৰণ্যৰ দাঁতি-কাষৰীয়া অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰি অহাৰ মাজতে যোৱা নিশা চৈকটা চাহ বাগিচাত বনৰীয়া হাতীৰ জাকটোৱে ১০ টাৰো অধিক বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। হাতীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে এগৰাকী বৃদ্ধাৰ। কালী পূজা আৰু দীপান্বিতা উদযাপনত ৰাজ্যবাসী ব্যস্ত থকাৰ সময়তে মৰিয়নীৰ গিবন অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা হাতীৰ প্ৰায় ৬০ টাৰো অধিক এটা জাকে মৰিয়নী চৈকটা চাহ বাগিচাৰ ১ নং লাইনত প্ৰৱেশ কৰি ১০ টাৰো অধিক বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। বনকৰ্মীক খবৰ দিয়াৰ পাছতো বহু পলমকৈহে ঘটনাস্থলীত বনকৰ্মী উপস্থিত হোৱা বুলি অভিযোগ তুলিছে ভুক্তভোগীয়ে। উল্লেখ্য যে বিগত কেইটামান বৰ্ষৰ পৰা মৰিয়নীৰ গিবন অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা হাতীৰ জাকটোৱে গিবনৰ দাঁতি কাষৰীয়া খৰিকটীয়া, চৈকটা, নাগাজংকা, ডকলঙীয়া, ৰঙাজান, বিজয়পুৰ, চুনাজুৰি আদি অঞ্চলৰ শতাধিক বিঘাভূমিৰ গেৰ ধৰা ধাননি পথাৰ খাই তহিলং কৰাৰ লগতে গছকি অনিষ্ট সাধন কৰিছে। সন্ধিয়াৰ লগে লগেই এন্ধাৰৰ সুযোগ লৈ হাতীৰ জাকটোৱে গিবনৰ পৰা ওলাই ধোদৰ আলি পাৰ হৈ দাঁতি কাষৰীয়া অঞ্চলবোৰত তাণ্ডৱৰ সৃষ্টি কৰে। হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ কৃষক ৰাইজে উজাগৰে থাকি পথাৰত জুই জ্বলাই বা হাতী অহাৰ উমান পালে ফটকা ফুটাই নিজৰ জীৱন সংকটত ৰাখি খেতিৰ শস্য ৰক্ষাৰ আপ্ৰাণ চেষ্টা চলিবলগীয়া হৈছে।

# ভূৰাগাঁৱৰ বালিডোংগাত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়া

**ই-সংবাদ, লাহৰীঘাট, ১ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বালিডোংগাত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়াই তচনচ কৰিছে বহুকেইটা পৰিয়ালৰ ভৱিষ্যত। যোৱা পোন্ধৰটা দিনত বালিডোংগা গাঁৱৰ ২৫ টাকৈ পৰিয়ালৰ ঘৰ ভেটি জাহ যায় ব্ৰহ্মপুত্ৰৰ বুকুত। ব্ৰহ্মপুত্ৰৰ খহনীয়াই অঞ্চলটোত কাল ৰূপ ধাৰণ কৰিছে যদিও বৰ্তমান সময়লৈ অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে অঞ্চলটোৰ লোকসকলে নিজাববীয়াকৈ বাঁহৰ জেং, গছৰ ডাল আদি পেলাই নদীৰ খহনীয়া প্ৰতিৰোধৰ চেষ্টা কৰিছে। উল্লেখ্য যে যোৱা ১৫ টা দিনত অঞ্চলটোৰ ছবেদ আলী, জলিল আলী, দুলাল আলী, আমজাৰা হক, আনুৱাৰ হুছেইন, জেহেৰুল ইছলাম, আচাদুল ইছলাম, আবুল হুছেইন, আইজুল, মমতাজ আলী, আবুল হুছেইন, চলমান আলী, তাজমত, চভান আলী, ইয়াছিন আলী, বাহাৰুল ইছলাম, জহিৰ আলী, আনাৰ হুছেইন, বাহাৰুল ইছলামকে প্ৰমুখ্য কৰি ২৫ টা পৰিয়ালৰ ঘৰ ভেটি জাহ যোৱাৰ পাছত পৰিয়াল কেইটাই আশ্ৰয় স্থান বিচাৰি হাহাকাৰ কৰিছে। ইয়াৰে কেইটামান পৰিয়ালে ৰাস্তাৰ কাষত আৰু মাথাউৰিৰ ওপৰত আশ্ৰয় লৈছে। এই খহনীয়াগ্ৰস্ত পৰিয়ালবোৰে জনোৱা মতে, তেওঁলোকৰ অন্য স্থানত কোনো মাটি সম্পত্তি নাই। এই পৰিয়ালকেইটাৰ ভিতৰত আনাৰ হুছেইনৰ পৰিয়ালটোৰ সদস্যসকলৰ জীৱন দৈৱ ক্ৰমেহে ৰক্ষা পৰে। নদীৰ পৰা যথেষ্ট দূৰত থকা পৰিয়ালটোৱে ভাবিবই পৰা নাছিল যে নিশাৰ ভিতৰতে ঘৰৰ কাষ পাবহি নদীৰ গৰা। পৰিয়ালটোৰ সদস্যসকল ঘৰৰ ভিতৰত শুই থকা অৱস্থাতে হঠাতে নদীৰ খহনীয়াই ইমানেই ভয়ংকৰ ৰূপ ধাৰণ কৰে যে তৎক্ষণাত তাচপাতৰ দৰে খহিব ধৰে বৃহৎ পৰিমাণৰ অঞ্চল।

# স্থানীয় ৰাইজৰ প্ৰতিবাদ সাব্যস্ত
# নামতিত পথ নিৰ্মাণত ব্যাপক অনিয়ম

**ই-সংবাদ, আমগুৰি, ১ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি আলি গাঁও পঞ্চায়ত এলেকাত পথ নিৰ্মাণত ঠিকাদাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ তুলি আজি স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ঠিকাদাৰৰ প্ৰতাৰণা বন্ধ হ'ব লাগিবই, বিধ্বস্ত ৰাস্তা নিৰ্মাণ কৰি দিব লাগিবই, ঠিকাদাৰ হুচিয়াৰ আদি শ্লʼগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অভিযোগ অনুসৰি, উক্ত পঞ্চায়ত এলেকাৰ আমগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৩ নং ৱাৰ্ডৰ দত্ত চুকৰ পথটো নিৰ্মাণৰ বাবে চৰকাৰে এমজিএনৰেগা আঁচনিৰ জৰিয়তে ৫,৩১,৬৫৭ টকা অনুদান দিছিল। কিন্তু পথটো নিৰ্মাণত নিয়োজিত জনৈক বৰা উপাধিৰ ঠিকাদাৰগৰাকীয়ে ব্যাপক দুৰ্নীতিৰ আশ্ৰয় লৈছে। এতিয়া অঞ্চলটোৰ ৰাইজে যমৰ যাতনা ভোগ কৰিব লগাত পৰিছে। জানিব পৰা মতে, পথটোৰেদি এতিয়া দৈনিক মহাবিদ্যালয়-বিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে জটিল ৰোগত আক্ৰান্ত ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। যাৰ ফলত উপায়হীন হৈ আজি স্থানীয় ৰাইজে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি ঠিকৈদাৰৰ বিৰুদ্ধে গৰজি উঠে। ইফালে, দত্ত চুকৰ এই পথটো নিৰ্মাণ কাৰ্যত নিয়োজিত কৰা কৰ্মচাৰীকো তেওঁলোকৰ পাৰিশ্ৰমিক সম্পূৰ্ণকৈ দিয়া নাই বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে গাঁওবাসীয়ে। উক্ত বিষয় সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষই কেনে ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব।



সমুখত উপ নিৰ্বাচনঃ চামগুৰিবাসীৰ ভোট ভিক্ষা কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ

# বিহালীত শাসক-বিৰোধীৰ আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে গৰম হৈ পৰিছে উপ-নিৰ্বাচন

**ই-সংবাদ, বিশ্বনাথ, ১ নৱেম্বৰঃ** বিহালীৰ এক নিৰ্বাচনী সভাত কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাই অনুসূচীত জাতিৰ বিৰুদ্ধে এক বিৰূপ মন্তব্য কৰাৰ অভিযোগ তুলি এতিয়া অনুসূচীত ভোটাৰৰ ভোট আদায় কৰিবলৈ বিজেপিৰ নেতৃত্বই অনুসূচীত গাঁৱত জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত নামি পৰা পৰিলক্ষিত হৈছে। আনকি কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাক অনুসূচীত গাঁৱত প্ৰৱেশ কৰাতো বাধা প্ৰদান কৰিবলৈ আহবান জনায় সাংসদ ৰঞ্জিত দত্তই। উল্লেখ যে, বিহালীৰ বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ ধাৰাবাহিকভাৱে বিহালীতে বাহৰ পাতি তীব্ৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত নামি পৰিছে মন্ত্ৰী পীযুষ হাজৰিকা। আনফালে, বিজেপিৰ বিভিন্ন মন্ত্ৰী, সাংসদ, বিধায়কসকলেও বিহালীত উপস্থিত হৈ পৃথকে পৃথকে নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজিও বিহালীৰ অনুসূচীত প্ৰধান এলেকা ৰাংছালী গাঁৱত মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ ৰঞ্জিত দত্ত উপস্থিত হৈ কংগ্ৰেছ দল তথা প্ৰাৰ্থী জয়ন্ত বৰাক তীব্ৰ সমালোচনা কৰে। সাংসদগৰাকীয়ে বিহালীৰ ৰাংছালীত কংগ্ৰেছৰ প্ৰৱেশ নিষিদ্ধ কৰিবলৈ আহবানজনোৱাৰ লগতে অকল ৰাংছালী গাঁৱতে নহয়, সমস্ত বিহালীত কংগ্ৰেছক নিষিদ্ধ কৰিবলৈ আহবান জনায়। গৌৰৱ গগৈয়ে ভয়ত উক্ত গাঁওলৈ সভা কৰিবলৈ নাহিল বুলি নিজৰ ভাষণত তেওঁ উল্লেখ কৰে। ইয়াৰ সমান্তৰালভাৱে মন্ত্ৰী পীযুষ হাজৰিকায়ো নিজৰ ভাষণত কয় যে আমিও কংগ্ৰেছত আছিলো। কিন্তু বিজেপিলৈ আহিলো। কংগ্ৰছত থাকিলে অসমীয়া ৰাইজৰ কাম কৰিব নোৱাৰি, সন্দেহযুক্ত মানুহৰ বাবে কাম কৰিব লাগে। কিন্তু বিজেপিত আহি অসমীয়া মানুহৰ বাবে কাম কৰিব পাৰিছো।মন্ত্ৰীগৰাকীয়ে লোকেল-চালানীৰ ক্ষেত্ৰত কেইবাটাও উদাহৰণ দি পুনৰ বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহবান ৰাইজক জনায়। এই নিৰ্বাচনী সভাতে অৰ্ধ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰে।আনহাতে, কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাই কালি সাংসদ ৰঞ্জিত দত্তৰ বিৰুদ্ধে এক অভিযোগ উত্থাপন কৰিছিল যে সাংসদ ৰঞ্জিত দত্তই জয়ন্ত বৰাক পল্লৱ লোচন দাসৰ বিৰুদ্ধে নিৰ্দলীয়ভাৱে নিৰ্বাচন খেলিবলৈ তিনি কোটি টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল।

# জ্ঞানৰত্ন সাহিত্য একাডেমিৰ আয়োজিত গ্ৰন্থ উন্মোচনী আৰু বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, লাহৰীঘাট, ১ নৱেম্বৰঃ** যোৱা ২৭ অক্টোবৰত বেলতলাস্থিত অমলপ্ৰভা ভৱনত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে জ্ঞানৰত্ন সাহিত্য অকাডেমীৰ গ্ৰন্থ উন্মোচনী আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত কাম কৰি অহা ব্যক্তিসকললৈ বিভিন্ন শিতানৰ বঁটা প্ৰদান কৰা হয়। একাডেমীৰ ৰাষ্ট্ৰীয় সভাপতি ড০ হেমচন্দ্ৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে জ্ঞানৰত্ন সাহিত্য একাডেমীৰ উপদেষ্টা ভানু বৰা হাজৰিকাই। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ ধীৰেন কলিতা। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি ড০ হেমচন্দ্ৰ বৰ্মনৰ গ্ৰন্থ "নীলা চকুৰ স্তৱক" উন্মোচন কৰে ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপ্ত মকবুল হুছেইনে আৰু ড০ ধীৰেন কলিতাৰ ৰচিত গ্ৰন্থ "এহি গুণনিধি শক্কৰ" নামৰ গ্ৰন্থখনি উন্মোচন কৰে একাডেমীৰ সভাপতি ড০ হেমচন্দ্ৰ বৰ্মনে। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজসেৱক সা-ৰে-গা-মা-পাৰ মুখ্য সঞ্চালক সোণমনি দত্ত, শিক্ষা মিত্ৰ ইউনিয়নৰ প্ৰাক্তন সভাপতি মইনুল হক আৰু জ্ঞানৰত্ন সাহিত্য একাডেমীৰ উপ-সভাপতি ৰূপিন কলিতাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কবি, সাহিত্যিক, লেখক, লেখিকা তথা বহু সাংস্কৃতিৱান ব্যক্তি। প্ৰায় ২১ জনৰো অধিক ব্যক্তিক বঁটা প্ৰদান কৰাৰ লগতে একাডেমীৰ আজীৱন সদস্য হিচাপে কেবাজনক অন্তৰ্ভুক্ত কৰা হয়। গ্ৰন্থৰ ক্ষেত্ৰত তৰুলতা হাজৰিকা শইকীয়াৰ উপন্যাস "বিহঙ্গ বেলিৰ ছাঁ" উপন্যাসৰ বাবে বঁটা প্ৰদান কৰা হয়। জ্যেষ্ঠ সাংবাদিক শিৱ প্ৰসাদ শৰ্মালৈ এই অনুষ্ঠানত ২০২৪ বৰ্ষৰ বিশেষ বঁটা সংবাদ পদ্ম বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানটিত বিশিষ্ট সমাজসেৱী সোণমনি দত্তৰ অনুপ্ৰেৰণামূলক ভাষণে সকলোকে অনুপ্ৰাণিত কৰি তোলে। উল্লেখ্য যে ২০২১ চনত এই একাডেমীখন মৰিগাঁও জিলাত প্ৰতিষ্ঠা লাভ কৰিছিল। আজিৰ ক্ষণত অসমৰ কেইবাখনো জিলাত সময়ে সময়ে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি নবীন-প্ৰবীণ লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগাই আহিছে। কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, প্ৰতিভাৱানসকলক এক মঞ্চ প্ৰদান কৰি প্ৰেৰণা প্ৰদান যোগোৱাৰ লগতে সামাজিক ক্ষেত্ৰখন অধিক সুন্দৰ কৰাৰ উদ্দেশ্যেৰে এই একাডেমীখনে কাম কৰা দেখা যায়। অনুষ্ঠানটিৰ আঁত ধৰে একাডেমীৰ মুখ্য সমন্বয়ক ৰেকিবুল আজাদ আৰু সমন্বয়ক ৰশ্মিৰেখা কাশ্যপে।

## যাত্ৰীৰ নাই আগ্ৰহ, ৩০ কি মি পথ অতিক্ৰম কৰোঁতে লাগে চাৰি ঘণ্টা

# মন্থৰ ৰে'ল সেৱা, গুৰুত্বহীন ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথ

**ই-সংবাদ, ডুমডুমা, ১ নৱেম্বৰঃ** 'নাই মোমাইতকৈ কণা মোমাই ভাল'- এই প্ৰবচনফাঁকি যেন আখৰে আখৰে মিলি গৈছে ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথছোৱাৰ ক্ষেত্ৰত। দেশৰ ভিতৰতে দ্বিতীয় তথা ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথছোৱাৰ মেৰামতি তথা শেহতীয়াকৈ বৈদ্যুতিকৰণৰ বাবদ ঠিকাদাৰৰ হতুৱাই ৰে'ল বিভাগ তথা চৰকাৰে কোটি কোটি টকা ব্যয় কৰি অহা দেখা গৈছে যদিও প্ৰকৃততে ৰাইজে ৰে'লপথছোৱাত আজিলৈকে যাতায়াতৰ সুবিধাজনক হোৱাকৈ তথা নিৰ্দিষ্ট সময়সূচী মতে সুচল ৰে'ল যাত্ৰাৰ সুবিধা প্ৰদান কৰিবলৈ সক্ষম নহ'ল। ডিব্ৰু-শদিয়া ৰে'লপথত ৰে'ল সেৱাৰ দাবীত ডুমডুমা আৰু তালাপ-ডাঙৰী অঞ্চলৰ একাধিক দল-সংগঠনে বহু পূৰ্বৰ পৰাই দাবী-প্ৰতিবাদ জনাই আহিছে যদিও এইক্ষেত্ৰত সুফল লাভ নকৰিলে। মুঠৰ ওপৰত কণা হাঁহক পতান দিয়াৰ দৰে ৰে'ল বিভাগ তথা চৰকাৰে টোপ দিয়াৰ বাহিৰে আন একোকে লাভ নকৰিলে ৰাইজে। উল্লেখ্য যে, উত্তৰ-পূব সীমান্ত ৰে'লৰে একপক্ষীয়ভাৱেউজনি অসমৰ শদিয়া, ডুমডুমা, মাকুম আৰু ডিগবৈ বিধানসভা সমষ্টিক সামৰি লোৱা ডিব্ৰু-শদিয়া ৰে'লপথৰ একমাত্ৰ ৭৫৯০৪/৭৫৯০৫ নম্বৰ ডিব্ৰুগড়-ডাঙৰী যাত্ৰীবাহী ৰে'ল আৰু ০৭৯০৪/০৭৯০৫ নম্বৰ ডাঙৰী-মাকুম ডে'ম ৰে'লখন সাধাৰণ অজুহাত দেখুৱাই কেবাবাৰো বন্ধ কৰি আহিছে বিগত সময়ত। ১৮৮১-৮২ চনত আছাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানীয়ে নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথৰ ৰে'ল সেৱা বন্ধ কৰি দিয়াত ২০২১ চনৰ ৬ ডিচেম্বৰৰ পৰা সাংবাদিক নিৰ্মল বড়া উজনি অসমৰ শদিয়া, ডুমডুমা, মাকুম

আৰু ডিগবৈ বিধানসভা সমষ্টিক সামৰি লোৱা ডিব্ৰু-শদিয়া ৰে'লপথৰ একমাত্ৰ ৭৫৯০৪/৭৫৯০৫ নম্বৰ ডিব্ৰুগড়-ডাঙৰী যাত্ৰীবাহী ৰে'ল আৰু ০৭৯০৪/০৭৯০৫ নম্বৰ ডাঙৰী-মাকুম ডে'ম ৰে'লখন সাধাৰণ অজুহাত দেখুৱাই কেবাবাৰো বন্ধ কৰি আহিছে বিগত সময়ত। ১৮৮১-৮২ চনত আছাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানীয়ে নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক ডিব্ৰু-শদিয়া ৰে'লপথৰ ৰে'ল সেৱা বন্ধ কৰি দিয়াত ২০২১ চনৰ ৬ ডিচেম্বৰৰ পৰা সাংবাদিক নিৰ্মল বড়া আৰু সমাজকৰ্মী বিনয় তাঁতীয়ে ডিব্ৰু-শদিয়া ৰে'লপথৰ ৰে'ল সেৱা প্ৰৱৰ্তনৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈ আহিছে। ইয়াৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বই ডাঙৰী, তালাপ, ডুমডুমা আৰু তিনিচুকীয়াত ডিব্ৰু-শদিয়া ৰে'লপথৰ ৰে'ল আন্দোলন গঢ়ি তুলিছিল। উপায়ন্তৰ হৈ ভাৰতীয় ৰে'লৱে বৰ্ডে ২০২২ চনৰ ১৬ মাৰ্চত উত্তৰ পূব সীমান্ত ৰে'ল প্ৰশাসনক ডিব্ৰু-শদিয়া ৰে'ল সেৱা আৰম্ভ কৰিবলৈ এক নিৰ্দেশ প্ৰদান কৰিবলৈ বাধ্য হয়। ৰে'লৱে বৰ্ডৰ নিৰ্দেশমৰ্মে সেৱাৰ নামত যাত্ৰাৰ সীমিত দূৰত্ব আৰু সময়সূচীক লৈ ৰে'ল যাত্ৰীসকলে মুঠেই সুখী নহয়। কাৰণ, সদ্যহতে মাকুমৰ পৰা ডাঙৰীলৈকে চলাচল কৰা যাত্ৰীবাহী ৰে'লখনে প্ৰায় ৩০ কি: মি: দূৰত্ব অতিক্ৰম কৰিবলৈ সময় লয় প্ৰায় চাৰে তিনি ঘণ্টা। প্ৰতিদিনে পুৱা ৫.৩০ বজাত ডাঙৰীৰ পৰা ০৭৯০৫ নম্বৰৰ ৰে'লখনে মাকুম জংচন ৮.৩০ বজাৰ পাছতহে গৈ পায়। আনহাতে, নিশা ৭.৪৫ বজাত মাকুম জংচনৰ পৰা ডাঙৰী ষ্টেচনত আহি উপস্থিত হয় নিশা প্ৰায় ১০ বজাত। ব্ৰহ্ম পুৱাতে ৰে'লখনে ডাঙৰী ষ্টেচন এৰে যাত্ৰীশূন্যভাৱে। ভাগ্য ভাল হ'লে কেতিয়াবা দুই-এজন যাত্ৰী হয়। নিশা দহ বজাত ডাঙৰী ষ্টেচন আহি পোৱালৈকে ৰাইজে নিশা এঘুমটি মাৰে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। মাকুম জংচনৰ বাহিৰে আন ষ্টেচন কেইটাত টিকট লোৱাৰো সুবিধা নাই। ৰে'লখনৰ পৰা ৰে'ল বিভাগে প্ৰতিদিনে উপাৰ্জন কৰে মাত্ৰ ৫০-১০০ টকা। অবিশ্বাস্য হ'লেও এয়া ধ্ৰুৱ সত্য। ৰে'ল পথছোৱাত নিয়োজিত হৈ আছে ৪৪ গৰাকীকৈ কৰ্মচাৰী। প্ৰতিমাহে ২৫ লাখকৈ এইসকল কৰ্মচাৰীৰ দৰমহাৰ নামত ব্যয় কৰিব লগা হোৱা ৰে'ল বিভাগে ডাঙৰী ষ্টেচনৰ পৰা পুৱাৰ ভাগতে দূৰণিবটীয়া স্থানলৈ যাত্ৰীবাহী ৰে'ল এখন চলাচলৰ ব্যৱস্থা গ্ৰহণ কৰিলে অন্ততঃ লাভৰ মুখ দেখা পালেহেঁতেন বুলি সকলোৱে ক'ব খুজিছে যদিও এই ক্ষেত্ৰত ৰে'ল বিভাগৰ কেতিয়াকৈ শুভ বুদ্ধি উদয় হয়, সেয়া এক অবুজ সাঁথৰ হৈ পৰিছে। যি সময়ত কেন্দ্ৰীয় চৰকাৰে দেশত অমৃত ভাৰত ৰে'ল ষ্টেচন নিৰ্মাণ কৰিছে, তেনে সময়ত এই ঐতিহাসিক ৰে'ল পথছোৱাত কেৱল বৈদ্যুতিকৰণৰ কাম হাতত লোৱাৰ বাহিৰে গৰুৰ গোহালি সদৃশ কৰ্দযময় ৰূপত সম্পূৰ্ণ অৱহেলিত হৈ পৰি থকা ষ্টেচন কেইটা আজিৰ তাৰিখত এক কথাত গৰু-ম'হৰ আশ্ৰয়স্থললৈ পৰ্যবসিত হৈছে। ৰে'ল বিভাগে কেতিয়াকৈ ষ্টেচনকেইটাৰ পুনঃ নিৰ্মাণৰ কাম হাতত লয়, সেয়া লাখটকীয়া প্ৰশ্ন! মন্থৰ ৰে'ল, ৰে'ল যাত্ৰাৰ প্ৰতি যাত্ৰীৰ অনীহা, নিৰ্দিষ্ট সময়সূচীৰ অভাৱ, ৰে'ল বিভাগৰ অদূৰদৰ্শীতাৰ অভাৱ আদিয়ে তিল-তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া ঐতিহাসিক ৰে'ল পথছোৱাৰ প্ৰতি যাত্ৰীসকলে প্ৰদৰ্শন কৰা অনীহা নিশ্চিতভাৱে অশুভ লক্ষণ হিচাপে বিবেচিত হৈছে যদিও ৰে'ল বিভাগ, চৰকাৰ তথা জনপ্ৰতিনিধিসকলে বিষয়টো গুৰুত্বসহকাৰে লোৱা পৰিলক্ষিত হোৱা নাই।

## দীপাৱলীত ব্যৱহৃত কলগছ হাতীক খাদ্যৰ বাবে যোগান

# মৰিগাঁৱত 'সহায়'ৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, মৰিগাঁও, ১ নৱেম্বৰঃ** মৰিগাঁও চহৰত যোৱা নিশা দীপাৱলীত ব্যৱহৃত কলগছসমূহ আজি হাতীক খাদ্যৰ বাবে যোগান ধৰে মৰিগাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন সহায়, অসমে। উল্লেখ্য যে যোৱা নিশা মৰিগাঁও চহৰত ব্যক্তিগত গৃহ, দোকান পোহাৰ আৰু ব্যৱসায়িক প্ৰতিস্থানসমূহৰ পদূলিত কলগছ পুতি দীপাৱলী উৎযাপন কৰা হৈছিল। আজি পুৱাৰ ভাগত স্বেচ্ছাসেৱী সংগঠন সহায়, অসমৰ সভাপতি যুৱ নেতা ৰাজু মহন্তৰ নেতৃত্বত সংগঠনটোৰ কৰ্মকৰ্তাসকলে এই কলগছসমূহ সংগ্ৰহ কৰি এখন বাহনেৰে জিলাখনৰ আমচৈ পাহাৰলৈ কঢ়িয়াই নি হাতীক খাদ্যৰ বাবে যোগান ধৰে। দীপাৱলীৰ কলগছ হাতীৰ খাদ্যৰ বাবে যোগান ধৰা আজিৰ এই কাৰ্যসূচীত 'সহায়, অসম'ৰ সভাপতি ৰাজু মহন্ত, সম্পাদক প্ৰদীপ হাজৰিকা, উপদেষ্টা কুশল মেধি, পুতু বৰা, সাংগঠনিক সম্পাদক প্ৰণৱ কাকতি, সদস্য জিতু মহন্ত, বুবু অসম প্ৰমুখ্যে বহুকেইজন ব্যক্তিয়ে অংশগ্ৰহণ কৰি কাৰ্যসূচীটো সফল কৰি তোলে। প্ৰণিধানযোগ্য যে সংগঠনটো সভাপতি ৰাজু মহন্তৰ নেতৃত্বত বিগত ১৮ বছৰ ধৰি স্বেচ্ছাসেৱী সংগঠন সহায়, অসমে দীপাৱলীত অব্যৱহৃত কলগছসমূহ পিছদিনা সংগ্ৰহ কৰি পবিতৰা অভয়াৰণ্য আৰু আমচৈ পাহৰলৈ গাড়ীয়ে কঢ়িয়াই নি হাতীক যোগান ধৰি আহিছে। এই কাৰ্য হাতী আৰু মানুহৰ মাজত সংঘাত দূৰ কৰিবলৈ চলোৱা এই পদক্ষেপ বুলি সংগঠনটোৱে সদৰি কৰিছে।

## ভাওনা অসমৰ ৰাইজৰ নৈতিক আৰু আধ্যাত্মিকতাৰ মীনা কৰা সৌধ

# ভাওনাৰ লুপ্ত আধ্যাত্মিকতাৰ পুনৰ উদ্ধাৰৰ লক্ষ্যৰে অভিৱৰ্তন

**ই-সংবাদ, যোৰহাট, ১ নৱেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া সমাজলৈ অপূৰ্ব সৃষ্টি ভাওনাই সাম্প্ৰতিক সময়ত পূৰ্বৰ গৰিমা হেৰুৱাই পেলাইছে। একাংশই আধুনিকতাৰ পৰশ দিয়াত ভাওনাৰ অধ্যাত্মিকতা লোপ পাইছে। সেয়েহে ভাওনাৰ স্বকীয়তা ৰক্ষাৰ বাবে সদৌ অসম ভাওনা সন্মিলনীয়ে অহা ৬, ৭ আৰু ৯ ডিচেম্বৰত কেন্দ্ৰীয় অভিৱৰ্তন অনুষ্ঠিত কৰিছে। যোৰহাটৰ টীয়ক কলিয়াপানীৰ আউনীয়াটি সত্ৰত অনুষ্ঠিত হ'ব লগা এই কেন্দ্ৰীয় সন্মিলনৰ বিষয়ে সদৰি কৰিছে আউনীয়াটি সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে। যোৰহাটত অনুষ্ঠিত এখন সাংবাদ মেলত সত্ৰাধিকাৰ গৰাকীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যি ভাওনা সেয়া অসমৰ জনতাৰ নৈতিক আৰু আধ্যাত্মিকতাৰ সৌধ। এই মীনা কৰা সৌধে অধৰ্মীজনক ধৰ্ম, একাত্ম চিন্তাক সামূহিক চিন্তা, দুৰ্বলীক সাহস, অসতৰ পৰা সৎ পথলৈ অনাৰ লগতে অন্যায়ৰ পৰা ন্যায় আৰু আন্ধাৰৰ পৰা পোহৰ দিয়ে। সাত টা উপাদানেৰে গঠিত এই ভাওনাই কোনো শ্ৰেণী বিভাজন নোহোৱাকৈ দি আহিছে এক সমন্বয়ৰ বাৰ্তা। কিন্তু সাম্প্ৰতিক সময়ত অসমত ভাওনাই জনপ্ৰিয়তা লাভ কৰিলেও বিসংগতিয়ে দেখা দিয়া পৰিলক্ষিত হৈছে বুলি উল্লেখ কৰি সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে সাংবাদমেলত উল্লেখ কৰে যে, পৃথিৱীৰ ভিতৰত বৃহৎ অনুষ্ঠানটোৱে নিজস্ব পৰম্পৰা হেৰুৱাইছে। সেয়েহে ভাওনাক পুনৰ উদ্ধাৰৰ বাবে সদৌ অসম ভাওনা সন্মিলনীয়ে এক পদক্ষেপ গ্ৰহণৰ লক্ষ্যৰে এই অভিৱৰ্তনৰ আয়োজন কৰা হৈছে। এই অভিৱৰ্তনত বিচাৰক, সমন্বয় সন্মিলন আৰু যুৱ সন্মিলন অনুষ্ঠিত কৰাৰ লগতে প্ৰকৃত ভাওনা কীৰ্ত্তন, দৰ্শন কৰাৰ বাবে সত্ৰীয়া অংকীয়া ভাওনা, পঞ্চাচ বছৰৰ পুৰণি ভাওনা প্ৰদৰ্শন, সাধাৰণ ভাওনা আৰু প্ৰতিযোগিতামূলক মুঠ চাৰিখন ভাওনা প্ৰদৰ্শন কৰা হ'ব। এই অভিৱৰ্তনত বিভিন্ন সন্থা, অনুষ্ঠানক জড়িত কৰি সমন্বয়ৰ বাৰ্তাৰে একেটা ছাতিৰ তলত ৰখাৰ প্ৰয়াস কৰিব বুলি উল্লেখ কৰে। এই অভিৱৰ্তনখনি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব বুলি সংবাদমেলত উল্লেখ কৰে আয়োজকসকলে।

## ৰুলা ভূঞাৰ স্মৃতিচাৰণ সভা সম্পন্ন

ই-সংবাদ, বেবেজীয়া, ১ নৱেম্বৰঃ সদ্য প্ৰয়াত নগাঁঞা কবি, সৰবৰহী মহিলা ৰুলা ভূঞাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে শুকুৰবাৰে নগাঁও জিলা কবি সন্মিলন আৰু সোণাইপৰীয়া শাখা কবি সন্মিলনৰ উদ্যোগত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। কবিগৰাকীৰ চকলাঘাট দৰঙীয়ালগাঁৱৰ বাসগৃহত অনুষ্ঠিত হোৱা সভাখনিত সভাপতিত্ব কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰদীপ শইকীয়াই। সোণাইপৰীয়া কবি সন্মিলনৰ সভাপতি সঞ্জীৱ সাগৰ চৌধুৰীয়ে আঁত ধৰা সভাখনিত নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী, প্ৰাক্তন সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সম্পাদক পৱন শৰ্মা আৰু বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই প্ৰয়াত ৰুলা ভূঞাৰ অনুভৱী কবিতাসমূহৰ আলোকপাত কৰি স্মৃতিচাৰণ কৰে।

## ছিপাঝাৰত বিদ্যালয়ত চোৰৰ চাফাই, আৰক্ষীক এজাহাৰ

**ই-সংবাদ, ছিপাঝাৰ, ১ নৱেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত বৃহস্পতিবাৰে নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ চুৰি কাণ্ড। দীপাৱলীৰ উছাহৰ মাজতে চোৰে বিদ্যালয়খনত লুটপাট চলাই চুৰি কৰি নিলে প্ৰাক্তন ছাত্ৰী সমাৰোহৰ বাবে কিনি আনি থোৱা বিভিন্ন সামগ্ৰী। উল্লেখ্য যে, নৱেম্বৰৰ ২ আৰু ৩ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে বিদ্যালয়খনত আয়োজন কৰা হৈছে এখন প্ৰাক্তন ছাত্ৰী সমাৰোহ। সেয়ে দীপাৱলীৰ বাবে বিদ্যালয় বন্ধ থকা স্বত্বেও কিছু কাম বাকী থকা বাবে আয়োজকসকল আজি বিদ্যালয়খনত উপস্থিত হৈয়েই দৰ্জাৰ তলা ভঙা অৱস্থাত প্ৰত্যক্ষ কৰে। আনহাতে, ছাত্ৰী সমাৰোহৰ বাবে অনা বিভিন্ন চোৰে লুটি নিয়াৰ বিষয়ে অৱগত হয়। ইপিনে চোৰৰ এই কাণ্ডক লৈ আৰক্ষীৰ ভূমিকাক লৈ ক্ষুব্ধ হৈ পৰিছে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল। কিয়নো ইয়াৰ পূৰ্বেও চোৰে বিদ্যালয়খনৰ পৰা বিভিন্ন শৈক্ষিক সামগ্ৰী লুটি নিছিল আৰু চোৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ বুঢ়া আৰক্ষী চকীত এজাহাৰো দিছিল। কিন্তু বুঢ়া আৰক্ষীয়ে চোৰৰ কোনো সন্ধানেই উলিয়াব নোৱাৰিলে। যাৰ বাবে আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ চোৰে পুনৰ বিদ্যালয়খনত চাফাই অভিযান চলালে বুলি অভিযোগ কৰিছে অভিভাৱকসকলে। বৃহস্পতিবাৰে নিশা সংঘটিত চুৰি কাণ্ডক লৈ বিদ্যালয় কৰ্তৃপক্ষই বুঢ়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে।

## ব্যতিক্ৰম! মিৰ্জাত দীপান্বিতাৰ দিনাই বৃক্ষৰোপণ

**নিজা ই-সংবাদ সেৱা, ১ নৱেম্বৰঃ** দক্ষিণ কামৰূপৰ মিৰ্জাৰ নাতি দূৰৈৰ সাতপাৰা দুৰ্গা পূজা সমিতিৰ সৌজন্যত আজি দীপান্বিতাৰ দিনাই বেল, বকুল, শিলিখা, মহানিম, কৰবী আদি গছৰ পুলি ৰোপণ কৰে। পূজা সমিতিৰ সাধাৰণ সম্পাদক মদন দাসে আঁত ধৰা অনুষ্ঠানৰ পূৰ্বে বৃক্ষৰোপণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক দীপক শৰ্মাই। ইয়াৰ পিছত পূজা সমিতিৰ সভাপতি কনক কাকতি, কাৰ্যকৰী সভাপতি দুলাল দাস, উপ-সভাপতি বীৰেন চন্দ্ৰ শৰ্মা, প্ৰবীণ দাস, সহকাৰী সম্পাদক যাদৱ দাস, প্ৰাক্তন সাধাৰণ সম্পাদক কৃষ্ণ কান্ত দেৱ শৰ্মা, যীশু মজুমদাৰ, কৰ্মকৰ্তা প্ৰভাত শৰ্মা, দিলীপ শৰ্মা, হিমাদ্ৰী মজুমদাৰ, বিচিত্ৰ মজুমদাৰ, প্ৰদীপ দাস, ডিম্বেশ্বৰ শৰ্মা, কনক দাস, প্ৰশান্ত শৰ্মা, নিতুল কলিতা প্ৰভৃতিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ সাংবাদিক দীপক শৰ্মাই কয়- 'আমি গছ সকলো ঠাইতে ৰুৱ লাগে। য'তেই খালি মাটি থাকে, তাতেই গছ ৰুৱ লাগে। গছ থাকিলেহে মানুহ থাকিব।' সভাপতি কনক কাকতি আৰু সাধাৰণ সম্পাদক মদন দাসে



বৃক্ষৰোপণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোকপাত কৰে। উল্লেখ্য যে দীপান্বিতা উপলক্ষে ৰোপণ কৰা প্ৰতিটো গছপুলি বেৰ দি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

## বিশিষ্ট কালীবাদক কলিৰাম বৰাক ‘সত্ৰীয়া সংস্কৃতিৰ সাধক’ সন্মান

# চামগুৰি কলেজত জিলা ভিত্তিত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা

**ই-সংবাদ, পুৰণিগুদাম, ১ নৱেম্বৰঃ** নগাঁও জিলাৰ চামগুৰিস্থিত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান চামগুৰি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰদীপ কুমাৰ কলিতাৰ সোঁৱৰণত চামগুৰি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু সাংস্কৃতিক কোষৰ উদ্যোগত তথা পৰিয়ালবৰ্গৰ সহযোগত নগাঁও জিলা ভিত্তিত সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চামগুৰি মহাবিদ্যালয়ত অহা ৪ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ "ক" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে নগদ ধন চাৰি হাজাৰ এটকা, তিনি হাজাৰ এটকা, দুহাজাৰ এটকাৰ লগতে মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হ'ব। "ক" শাখাৰ ভৰ্তি মাচুল তিনিশ টকা, প্ৰতিযোগীৰ বয়স ১৪ বছৰৰ অনুৰ্ধৰ। প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত নৃত্যসমূহ ক্ৰমে, কৃষ্ণ নৃত্য, ঝুমুৰা আৰু নাদুভংগী নৃত্য। প্ৰতিযোগিতাৰ "খ" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে, পাঁচ হাজাৰ এটকা, চাৰি হাজাৰ এটকা, তিনি হাজাৰ এটকাৰ লগতে মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হ'ব। "খ" শাখাৰ ভৰ্তি মাচুল চাৰিশ টকা, প্ৰতিযোগীৰ বয়স ১৪ বছৰ ওপৰৰ হ'ব লাগিব। বাছনি নৃত্যসমূহ হ'ল চালি নাচ, সূত্ৰধাৰ নৃত্য, গোঁসাই নৃত্য। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৯ বজাত প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰদীপ কুমাৰ কলিতাৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধা তৰ্পণ, পুৱা ৯.১৫ বজাত আদৰণি অনুষ্ঠান, পুৱা ৯.২৫ বজাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত বিশিষ্ট কালীবাদক কলিৰাম বৰাক "সত্ৰীয়া সংস্কৃতিৰ সাধক" সন্মান প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। পুৱা ৯.৩০ বজাৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ইন্দ্ৰজিৎ বেজবৰুৱাই। পুৱা ৯.৪৫ বজাত প্ৰয়াত প্ৰদীপ কুমাৰ কলিতাৰ জীৱন-দৰ্শন সন্দৰ্ভত বক্তব্য প্ৰদান কৰিব মহাবিদ্যালয়ৰ সাংস্কৃতিক কোষৰ সমন্বয়ক দিলীপ কুমাৰ দাস আৰু প্ৰয়াত প্ৰদীপ কুমাৰ কলিতাৰ একমাত্ৰ জীয়ৰী স্নেহা জোনাক ন্যায়াই। পুৱা দহ বজাৰ পৰা মূল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি প্ৰতিযোগীসকলৰ সাজসজ্জা সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰাৰ হ'ব লাগিব আৰু বাজনা সংগত সম্পূৰ্ণ শুদ্ধাচৰণ হ'ব লাগিব। বাজনাত বৈদ্যুতিক মাধ্যম ব্যৱহাৰ কৰিব পাৰিব। এটা নৃত্যত তিনিজন বাদ্যযন্ত্ৰী থাকিব পাৰিব। এটা বাদ্যযন্ত্ৰীৰ দলে আন প্ৰতিযোগীৰ লগতো সংগত কৰিব পাৰিব।



বাদ্যযন্ত্ৰ প্ৰতিযোগীসকলে নিজেই ব্যৱস্থা কৰিব লাগিব। নৃত্য পৰিৱেশনৰ সময় ছয় মিনিট। গোঁসাই নাচত প্ৰতিযোগীয়ে কৃষ্ণৰ সাজপাৰ, মুকুট আদি ব্যৱহাৰ কৰিব লাগিব। প্ৰতিযোগীক কোনোধৰণৰ যাতায়াত খৰচ বহন কৰা নহ'ব। সকলো অংশগ্ৰহণকাৰী প্ৰতিযোগীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হ'ব। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰাৰ লগতে প্ৰতিযোগিতাৰ সন্দৰ্ভত সবিশেষ জানিবলৈ ম'বাইল নম্বৰ ৯৩৬৫৬৫৬৯৩১, ৭৮৯৬৮৪০৬৬০ আৰু ৯১০১২৬৮৮৯৭-ত যোগাযোগ কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষই আগ্ৰহীসকলক আহ্বান জনাইছে।

## ‘দৈষ্টিক’ৰ বাবে লেখা আহ্বান

**ই-সংবাদ, ৰঙিয়া, ১ নৱেম্বৰঃ** ৰঙিয়াৰ প্ৰতিষ্ঠিত সামাজিক-সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত অহা ২৪ নৱেম্বৰত অনুষ্ঠিত কৰা হ'ব ষষ্ঠ বাৰ্ষিক প্ৰয়াত বাণেশ্বৰ দেৱ শৰ্মা ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰদান অনুষ্ঠান। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিব লগা স্মৃতিগ্ৰন্থ 'দৈষ্টিক'ত প্ৰকাশৰ বাবে কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতাক সভাপতি আৰু পংকজ পল্লৱ শৰ্মাক সম্পাদক হিচাপে লৈ গঠিত সম্পাদনা সমিতিয়ে লেখনি আহ্বান কৰিছে। আগ্ৰহীসকলক সাহিত্য, সংস্কৃতি আৰু সামাজিক সম্পৰ্কীয় লেখনি যুগুত কৰি সভাপতি/সম্পাদক, দৈষ্টিক সম্পাদনা সমিতি, উমানাথ ভৱন, কোঠোৰা, ডাকঃ জামতোলা, পিন- ৭৮১৩৬৫ এই ঠিকনালৈ অহা ১০ নৱেম্বৰৰ ভিতৰত প্ৰেৰণ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। আনহাতে, একেখন মঞ্চত ৰাজ্যিক ভিত্তিত শিল্প, সাহিত্য, সংগীতৰ সৈতে জড়িত বিশিষ্ট লোকসকলকো সম্বৰ্ধনা জনোৱা হব।

# বাক্সাৰ নিৰ্মল বসুমতাৰীক বড়ো সাহিত্য গোষ্ঠীৰ সম্বৰ্ধনা

**ই-সংবাদ, বৰমা, ১ নৱেম্বৰঃ** বাক্সা জিলাৰ বড়ো সাহিত্য গোষ্ঠী 'বেৰে বাছা'ৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয় অঞ্চলটোৰ এগৰাকী জনপ্ৰিয় কবি, নাট্যকাৰ প্ৰযোজক নিৰ্মল বসুমতাৰীক। বাক্সা জিলাৰ বৰমা অঞ্চলৰ বড়ো সাহিত্য গোষ্ঠী 'বেৰে বাছা'ৰ উদ্যোগত অনুষ্ঠিত হোৱা কবি সন্মিলনত বাক্সা জিলাৰ পুৰাণ শ্ৰীপুৰ গাঁৱৰ বিশেষভাৱে সক্ষম নিৰ্মল বসুমতাৰীক সুদীৰ্ঘ বছৰ ধৰি বড়ো আৰু অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰাৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিশেষভাৱে সক্ষম নিৰ্মল বসুমতাৰীয়ে ইতিমধ্যে অসমীয়া আৰু বড়ো ভাষাত এখনকৈ কবিতাপুথি লিখি উলিয়াইছে। কোনো আনুষ্ঠানিক স্কুলীয়া শিক্ষা অবিহনে সাহিত্য চৰ্চা কৰি অহা কবিগৰাকীক এই অনুষ্ঠানতেই বড়ো সাহিত্য সভাইও অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত নিৰ্মল বসুমতাৰীয়ে কয় যে সাহিত্য হৈছে এটা জাতিৰ বাবে এডাল আগবাঢ়ি যোৱা জখলা। সাহিত্য হৈছে মানুহৰ অন্তৰ ধুই-পখালি চাফা কৰা এটা চাবোন, সাহিত্য মানুহৰ বাবে গা ধোৱা নৈৰ ঘাট। অনুষ্ঠানত তেওঁ চৰকাৰী সাহায্য হিচাপে বিটিচি চৰকাৰৰ পৰা পঁচিশ হাজাৰ টকা আৰু অসম চৰকাৰৰ পৰা পঞ্চাশ হাজাৰ টকা দুবাৰকৈ লাভ কৰাৰ কথা জানিবলৈ দিয়ে। ইতিমধ্যে তেওঁ চৰকাৰী শিল্পী পেঞ্চনৰ কাৰণেও আবেদন জনোৱাৰ কথা জানিবলৈ দিয়ে। আনহাতে, কবি নিৰ্মল বসুমতাৰীয়ে অসমীয়া আৰু বড়ো ভাষত কেবাখনো গ্ৰন্থৰ লগতে বড়ো ভাষাত বৰ্তমান এখন কথাছবি নিৰ্মাণৰ কাম কৰি থকা বুলি জানিবলৈ দিয়ে। আজিৰ কবি সন্মিলনত উপস্থিত থাকে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক তথা শিশু সাহিত্য(বড়ো) একাডেমি বঁটাপ্ৰাপক দেওবাৰ ৰামছিয়াৰী, সাহিত্য একাডেমি বঁটাপ্ৰাপক(বড়ো) ৰশ্মি চৌধুৰী, বৰমা আঞ্চলিক বড়ো সাহিত্য সভা সভাপতি উমেশ চন্দ্ৰ বড়ো, সম্পাদক গণপটি চোৰাং বড়ো, কবি ৰিম্পী বৰুৱা, মধুমোহন লাহাৰীৰ লগতে 'বেৰে বাছা'ৰ বিষয়ববীয়া আৰু ৰাইজ উপস্থিত থাকে। এই কবি সন্মিলনত বিভিন্ন কবিৰ কবিতা পাঠৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

# যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত দাইচাত ২৮৯ সংখ্যক 'বীৰ ৰাঘৱ মৰাণ দিৱস'ৰ প্ৰস্তুতি

**ই-সংবাদ, ডুমডুমা, ১ নৱেম্বৰঃ** অসম বুৰঞ্জীখ্যাত মোৱামৰীয়া বিদ্ৰোহৰ অন্যতম নেতা বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক দিৱস অহা ১৯ আৰু ২০ নৱেম্বৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত, তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, তালাপ-ডাঙৰী-ছৈখোৱা আঞ্চলিক সমিতি আৰু দাইচাবাসী ৰাইজৰ আতিথ্যত ইয়াৰ নিলগৰ দাইচাত উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে অলপতে দাইচা বৰদলৈ নগৰস্থিত বিজয়লক্ষ্মী মধ্য ইংৰাজী বিদ্যালয়ত পৰিষদৰ তিনিচুকীয়া সমিতিৰ সভাপতি সোণমণি চলিহাৰ পৌৰোহিত্যত এখন ৰাজহুৱা সভাঅনুষ্ঠিত হৈ যায়। এই সভাতেই স্থানীয় অৰুণোদয় জাতীয় বিদ্যালয়ৰ অধ্যক্ষ গুণকান্ত নেওগক সভাপতি, কৰ্দৈগুৰি মধ্য উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ মৰাণক কাৰ্যকৰী সভাপতি, ৰণ্টু ডাঙৰীয়াক সম্পাদক, তালাপ-ডাঙৰী-ছৈখোৱা আঞ্চলিকৰ সভাপতি তপন মৰাণ আৰু ৰূপম বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সভাত পৰিষদৰ কেন্দ্ৰীয় সঃ সম্পাদক সুৰজিত মৰাণৰ লগতে পৰিষদৰ সদস্য যদু সোণোৱাল, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কাঞ্চন বৰা, উপ-সভাপতি প্ৰবীণ তামুলী,যুটীয়া সম্পাদক উত্তম গোহাঁই, সাংগঠনিক সম্পাদক মনোজ তালুকদাৰ, অমৃত ফুকন, প্ৰচাৰ সম্পাদক বাবুল আহমেদৰ উপৰি ডুমডুমা, কাকপথাৰ, শদিয়া, ফিলবাৰী, ডিগবৈ, মাকুম, মাৰ্ঘেৰিটা, টিৰাপ-জাগুন, তালাপ-ডাঙৰী-ছৈখোৱা আঞ্চলিকৰ বিষয়ববীয়াসকলৰ লগতে দাইচা অঞ্চলৰ যুৱক সংঘ, মহিলা সমিতিৰ কৰ্মকৰ্তা আৰু ৰাইজ উপস্থিত থাকে।




নামনিত অখিল গগৈৰ মাৰাথান সভা, শুকুৰবাৰে গোৱালপাৰাৰ এখন জনসভাৰ দৃশ্য

## তালাপত তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ শ্বহীদ দিৱস

**ই-সংবাদ, ডুমডুমা, ১ নৱেম্বৰঃ** অসমৰ পৰা বিদেশী বিতাড়নৰ নামত ১৯৭৯ চনত আৰম্ভ হোৱা ঐতিহাসিক অসম আন্দোলনত ৰাজ্যৰ চৰকাৰী কৰ্মচাৰী সমাজেও 'জাতিতকৈ চাকৰি ডাঙৰ নহয়'- শ্ল'গানেৰে জঁপিয়াই পৰিছিল। ১৯৮০ চনত 'দিছপুৰ ঘেৰাও' কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ গৈ অসম সচিবালয়ৰ কৰ্মচাৰী দিলীপ চৌধুৰীয়ে চি আৰ পি এফৰ নিৰ্বিচাৰ গুলীবৰ্ষণত মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল। তেখেতৰ মৃত্যুৰ দিনটোক ৰাজ্যৰ কৰ্মচাৰীসকলে 'শ্বহীদ দিৱস' হিচাপে ঘোষণা কৰি প্ৰতি বছৰৰ এক নৱেম্বৰৰ দিনটোত সদৌ অসম কৰ্মচাৰী পৰিষদে এই শ্বহীদ দিৱস পালন কৰি আহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ লগতে তিনিচুকীয়া জিলাৰ তালাপতো আজি এই শ্বহীদ দিৱস পালন কৰা হয়। পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু তালাপ আঞ্চলিক সমিতিৰ সহযোগত তালাপ বালিবজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত পালন কৰা শ্বহীদ দিৱসত পতাকা উত্তোলন কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্যতম উপ-সভাপতি তথা তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসন্ন কুমাৰ বৰুৱাই। শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰি শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি অমৰ ৰঞ্জন দুৱৰাই। জিলা সাধাৰণ সম্পাদক বীৰেণ গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত অমৰ ৰঞ্জন দুৱৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম আন্দোলনত ৰাজ্যৰ কৰ্মচাৰী সমাজেও অংশগ্ৰহণ কৰি ৬৮ জন কৰ্মচাৰী শ্বহীদ হ'বলগীয়া হৈছিল বুলি উল্লেখ কৰি অসম আন্দোলনৰ পৰিণতিত অসম চুক্তি হ'ল যদিও সেই চুক্তিখন সৌ সিদিনাহে কাৰ্যকৰী হোৱাৰ দিশে আগবঢ়া বুলি মন্তব্য কৰি এইক্ষেত্ৰত যথেষ্ট পলম হোৱা বুলিও তেওঁ আক্ষেপ কৰে। দুৱৰাই অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত সৰ্বোচ্চ ন্যায়ালয়ে যি নিৰ্দেশনা দিছে সেয়াও এশ শতাংশ মানি ল'ব পৰা নাযায় বুলি অতি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আজিৰ অনুষ্ঠানত কৰ্মচাৰী পৰিষদৰ তিনিচুকীয়া জিলাৰ বহু কেইখন আঞ্চলিক সমিতিৰ বিষয়ববীয়াৰ লগতে পৰিষদৰ ৰাজ্যিক পৰ্যায়ৰ একাংশ বিষয়ববীয়াও উপস্থিত থাকে।

## মাজুলীত উদ্ধাৰ হাতীৰ পোৱালি

**ই-সংবাদ, মাজুলী, ১ নৱেম্বৰঃ** কিছুদিনৰ পৰা মাজুলীৰ অফলামুখ, দক্ষিণপাট, লাচনচাপৰি আদি অঞ্চলত বৃহৎ হাতীৰ এটা জাকে বিচৰণ কৰি উক্ত অঞ্চলৰ শালি, বাওঁ ধানৰ কৃষিৰ লগতে ৰবি শস্য খাই তহিলং কৰি আহিছে। বন বিভাগে হাতীৰ জাকটো খেদি পঠাবলৈ সক্ষম হোৱা নাই। এই হাতী জাকৰ মাজৰে এটা কণমানি হাতী পোৱালি আজি মাজুলীৰ লাচনচাপৰিৰ লালমোহন পাংগিঙৰ গোহালিত উদ্ধাৰ হয়। জানিব পৰা অনুসৰি ৰাতি হাতীৰ জাকটো উক্ত অঞ্চলত বিচৰণ কৰি আছিল। মাকৰ সৈতে হাতীৰ পোৱালিটো লাচনচাপৰিৰ লালমোহন পাংগিঙৰ গোহালিৰ কাষতে অৱস্থান কৰিছিল। পুৱা মানুহৰ সমাগম হোৱাত হাতীজনীয়ে পোৱালিটোক এৰি যোৱাত পোৱালিটো উক্ত গোহালিটোতে ৰৈ গ'ল। ৰাইজে পোৱালিটোক উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত বনবিভাগৰ লোকক অৱগত কৰি হাতী পোৱালিটোক বন বিভাগৰ লোকক গতাই দিয়ে। হাতী পোৱালিটো চিকিৎসাৰ ব্যৱস্থা কৰিছে বন বিভাগে। ৰাইজে হাতী পোৱালিটোক জীয়াই ৰাখিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাজুলী বন বিভাগক আহ্বান জনাইছে।



ঝাৰখণ্ড নিৰ্বাচনৰ দলৰ ঘোষণা পত্ৰৰ ওপৰত হোৱা আলোচনাত অংশগ্ৰহণ গৌৰৱ গগৈৰ

# মৰিগাঁৱত মহিলা কাবাডী প্ৰতিযোগিতা

**ই-সংবাদ, মৰিগাঁও, ১ নৱেম্বৰঃ** মৰিগাঁও জিলা কাবাডী সন্থাৰ আতিথ্যত অহা ৮, ৯ আৰু ১০ নৱেম্বৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব ৩৫ সংখ্যক সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতা। মৰিগাঁৱৰ দলবাৰী যুৱকল্যাণ সংঘৰ খেলপথাৰত অনুষ্ঠিত হ'বলগা এই প্ৰতিযোগিতাখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীক সভাপতি, জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ৰমেন নাথক কাৰ্যকৰী সভাপতি, ৰমেশ চন্দ্ৰ কাকতিক সম্পাদক, চিকন্দৰ আলী আৰু ইক্ৰামুল হুছেইনক যুটীয়া সম্পাদক হিচাপে লৈ ইতিমধ্যে এখন আদৰণি সমিতি আৰু ১০ খনকৈ উপ-সমিতিয়ে গঠন কৰি দ্ৰুতগতিত প্ৰস্তুতি চলাই থকা হৈছে। ঘোষিত কাৰ্যসূচী অনুসৰি ৮ নৱেম্বৰৰ দিনৰ ২ বজাত খেলুৱৈৰ নাম পঞ্জীয়ন আৰু আবেলি ৪ বজাত খেলুৱৈৰ শিৰিৰ উদ্বোধন কৰিব মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস আৰু জিলা কাবাডী সন্থাৰ উপদেষ্টা চুলেমান আলীয়ে। ইয়াৰ পিছতেই আদৰণি আৰু সাংস্কৃতিক অনুষ্ঠানত বক্তব্য ৰাখিব জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আৰু বন্তি প্ৰজ্বলন কৰিব আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ৰমেন নাথে। ৯ নৱেম্বৰৰ পুৱা সদৌ অসম কাবাডী সন্থাৰ সভাপতি ভুৱনেশ্বৰ কলিতাই কাবাডী সন্থাৰ পতাকা আৰু বিধায়ক ৰমাকান্ত দেউৰীয়ে আদৰণি সমিতিৰ পতাকা উত্তোলন কৰাৰ পিছত পুৱা ১০ বজাত খেলুৱৈসকলৰ অভিবাদন আৰু খেলপথাৰ উদ্বোধন কৰিব অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই। তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব লগীয়া অনুষ্ঠানটোৰ পিছতেই আৰম্ভ হ'ব মূল প্ৰতিযোগিতা। ১০ নৱেম্বৰৰ আবেলি অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্ত, নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি আদৰণি সমিতিয়ে জানিবলৈ দিছে।



মুম্বাইত তৃতীয় টেষ্টত ভাৰতৰ বিৰুদ্ধে প্ৰথম ইনিংছত অৰ্ধশতক কিৰিৰ ইয়ঙৰ



নিউজিলেণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্টৰ প্ৰথম ইনিংছত মাত্ৰ ৪ ৰানত ৰানআউট হৈ উইকেটলৈ চাইছে বিৰাট কোহলিয়ে

## প্ৰথম ইনিংছত কিৱি বাহিনীৰ ২৩৫ ৰান সংগ্ৰহ

# তৃতীয় টেষ্টতো ভাৰতৰ জয়ৰ আকাশত কলীয়া ডাৱৰ

**মুম্বাই, ১ নৱেম্বৰঃ** শৃংখলাত পৰাস্ত হোৱাৰ পিছত ভাৰতে সন্মান ৰক্ষাৰ যুঁজখনতো মুখ থেকেচা খোৱাৰ উপক্ৰম ঘটিছে। মুম্বাইত নিউজিলেণ্ডৰ বিৰুদ্ধে শৃংখলাৰ অন্তিমখন মেচত বৃহৎ ব্যৱধানত জয়ী হোৱাৰ লক্ষ্যৰে অৱতীৰ্ণ হৈছিল ভাৰতীয় দলটো। কিয়নো এইখন মেচত পৰাস্ত হ'লে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰাটো কঠিন হৈ পৰিব। কিন্তু গুৰুত্বপূৰ্ণ এই মেচখনতো এতিয়া ৰোহিত বাহিনী পুনৰ সংকটৰ সন্মুখীন হৈছে। টছত জয়লাভ কৰি নিউজিলেণ্ডে বেটিং কৰাৰ সিদ্ধান্ত লয়। মূলতঃ তেওঁলোকে পিছলৈ স্পিনিং পিটছত সুবিধা লোৱাৰ আশাত প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছিল। অৱশ্যে আশা কৰা ধৰণে আলহী দলটোৱে সুফল লাভ নকৰিলে। প্ৰথম দুখন মেচত ভাৰতৰ বলিং বিফল হোৱাৰ পিছত এই মেচত বলিং সজীৱ হৈ পৰা দেখা যায়। যশপ্ৰীত বুমৰাহক বিশ্ৰাম দিয়া হৈছিল যদিও সেই অভাৱ পূৰণ কৰে ছিৰাজ আৰু আকাশ দীপে। নিউজিলেণ্ডে প্ৰথমটো আঘাত লাভ কৰে আকাশ দীপৰ পৰা। তেওঁ ডেভন কনৱেক মাত্ৰ ৪ ৰানত আউট কৰে। ইয়াৰ পিছতে ৱাশ্বিংটন সুন্দৰে টম লেথামক বল্ড কৰে। নিউজিলেণ্ডৰ বিধ্বংসী টপ অৰ্ডাৰ ভাঙি পৰাত ভাৰতে বহুখিনি সকাহ পাইছিল। অৱশ্যে উইল ইয়ঙৰ ৭১ ৰান আৰু ডেৰিল মিচেলৰ ৮২ ৰানৰ সহায়ত নিউজিলেণ্ডে প্ৰথম ইনিংছত ২৩৫ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৫টা উইকেট দখল কৰে। ৱাশ্বিংটন সুন্দৰে ৪ উইকেট দখল কৰে। আকাশ দীপে লাভ কৰে এটা উইকেট। ইয়াৰ পিছতে ভাৰতে নিজৰ প্ৰথম ইনিংছ আৰম্ভ কৰি এটাৰ পিছত এটাকৈ উইকেট হেৰুৱাবলৈ আৰম্ভ কৰে। যশস্বী জয়ছোৱাল আৰু ৰোহিত শৰ্মাৰ যুটিয়ে মাত্ৰ ২৫ ৰানহে কৰিবলৈ সক্ষম হয়। ৰোহিত শৰ্মাই ১৮ ৰান সংগ্ৰহ কৰি মেট হেনৰীৰ হাতত কেছ দি আউট হয়। জয়ছৱালক ৩০ ৰানত আউট কৰে এজাজ পেটেলে। বিৰাট কোহলিয়ে মাত্ৰ ৪ ৰানতে ৰান আউট হয়। প্ৰথম দিনটোৰ শেষত ভাৰতে ১৯ অভাৱত ৪ উইকেট হেৰুৱাই ৮৬ ৰান কৰে। দিনান্তত ক্ৰিজত শুভমন গিলে ৩১ ৰান আৰু ঋষভ পন্তে ১ ৰান কৰি অপৰাজিত হৈ আছে।

# তুলসীবাৰীত প্ৰাইজমানি ফুটবলৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১ নৱেম্বৰঃ** ৰঙিয়াৰ তুলসীবাৰী যুৱ সংঘৰ সৌজন্যত ১৮ বছৰ অনুৰ্ধ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব উক্ত প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ৩৫০১ টকা আৰু ১৮০১ টকা আগবঢ়োৱা হ'ব। অংশগ্ৰহণৰ বাবে আগ্ৰহী দলসমূহে ৯৩৯৫৩৮০৯৬৭ অথবা ৭০৮৬৭৭৮৪৮৫ ফোন নম্বৰযোগে যোগাযোগ কৰিব পাৰিব বুলি আয়োজকসকলে জনাইছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি